সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৩৪ সংখ্যা, ৮ ভাদ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.34 Date Of Publication - 25 August 2024 Rs.10.00/-

## বাংলাদেশত হোৱা অস্থিৰতাৰ পিছতো কোনো হিন্দু বাংলাদেশী অসমত সোমোৱাৰ চেষ্টা কৰা নাইঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- শিলচৰত আয়োজিত এখন সংবাদ মেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বাংলাদেশত হিন্দুসকলে যুঁজ কৰি আছে আৰু তেওঁলোক বাংলাদেশতে আছে। বাংলাদেশক তেওঁলোকে মাতৃভূমি বুলি ভাবে। সেয়ে যুঁজ কৰি হ'লেও বাংলাদেশতে আছে। ভাৰতলৈ আহিব বিচৰা হ'লে তেওঁলোকে বাংলাদেশ বিভাজনৰ সময়তে আহিলহেঁতেন। যোৱা এটা মাহত বাংলাদেশৰ পৰা এজনো হিন্দু মানুহ অসমলৈ অহা নাই। আমি এজনো হিন্দু মানুহ অসমলৈ অহা বুলি চিনাক্ত কৰিব পৰা নাই। কিন্তু এই সময়ছোৱাত ৩৫জন মুছলমান অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ কৰিছোঁ। যোৱা কালি নিশাও কৰিমগঞ্জ ত দুজন মুছলমান বাংলাদেশী ধৰিছোঁ আৰু খেদি পঠাইছোঁ। কিন্তু আমি অসমৰ সকলো ঠাইতে সদায় হিন্দু বাংলাদেশীসকলেহে অহা বুলি সন্দেহ কৰি থাকোঁ। বাংলাদেশত থকা হিন্দুসকলে ভাৰতৰ প্ৰধানমন্ত্ৰীক অনুৰোধ কৰি আছে যাতে তেওঁলোকে বাংলাদেশত সুৰক্ষিত হৈ থাকিব পাৰে, তাৰ বাবে আমাৰ প্ৰধানমন্ত্ৰীয়ে বাংলাদেশক হেঁচা দিয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লগতে কয় যে বাংলাদেশত বস্ত্ৰ উদ্যোগ বন্ধ হৈ যোৱাৰ ফলত মুছলমান শ্ৰমিকসকলে এতিয়া বেংগালুৰু আৰু তামিলনাডুলৈ যোৱাৰ চেষ্টা কৰি আছে। অসমক তেওঁলোকে কৰিড'ৰ হিচাপে ব্যৱহাৰ কৰে। ইপিনে 'কা'ৰ প্ৰসংগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই আন্দোলনৰ সময়ত আছুকে ধৰি একাংশই আইনখন বলৱৎ হ'লেই অসমলৈ ২০-৩০ লাখ হিন্দু বাংলাদেশী আহিব বুলি কৈছিল। কিন্তু এতিয়ালৈ মাত্ৰ ৬গৰাকী হিন্দু (দহ পৃষ্ঠাত চাওক)

## ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা শিখৰ ধাৱনৰ




ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাক্তন ভাৰতীয় ক্ৰিকেটাৰ শিখৰ ধাৱনে ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছে। শনিবাৰে তেওঁ নিজৰ সামাজিক মাধ্যমত এক ভিডিঅ' প্ৰকাশ কৰি অৱসৰৰ কথা ঘোষণা কৰে। ভিডিঅ' টোত গব্বৰে তেওঁৰ সমগ্ৰ কেৰিয়াৰত মৰম আৰু সমৰ্থন আগবঢ়োৱাৰ বাবে অনুৰাগীসকলক ধন্যবাদ জনায়। শিখৰ ধাৱনে ভিডিঅ'টোত ঘোষণা কৰিছে- 'মোৰ একমাত্ৰ সপোন আছিল ভাৰতৰ হৈ খেলা আৰু মই সেইটো লাভ কৰিছোঁ। মোৰ যাত্ৰাত অৰদান আগবঢ়াই অহা সকলো ব্যক্তিৰ প্ৰতি মই কৃতজ্ঞ। প্ৰথমতে মোৰ পৰিয়ালক কৃতজ্ঞতা জনাইছোঁ। মোৰ শৈশৱৰ প্ৰশিক্ষক প্ৰয়াত তাৰক সিনহা আৰু মদন শৰ্মাৰ নিৰ্দেশনাত মই এই খেলৰ মৌলিক বিষয়বোৰ শিকিছিলোঁ। মই মোৰ দলটোকো ধন্যবাদ জনাইছোঁ। কাৰণ তেওঁলোকৰ সৈতে মই ইমান দিন ধৰি ক্ৰিকেট খেলিছোঁ। দলটোৰ জৰিয়তে মই আন এটা পৰিয়াল পাইছিলোঁ। মই যশস্যা, খ্যাতি আৰু সকলো অনুৰাগীৰ পৰা মৰম (দহ পৃষ্ঠাত চাওক)

## ড° হিমন্ত বিশ্ব শৰ্মা দেশৰ দ্বিতীয় সৰ্বাধিক জনপ্ৰিয় মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ইণ্ডিয়া টুডে'ৰ মুড অৱ দ্য নেচন প'লৰ মতে দেশৰ দ্বিতীয় জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ইণ্ডিয়া টুডে'ই দেশজুৰি চলোৱা সমীক্ষাত ৫০.৮ শতাংশই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পাৰদৰ্শিতাক লৈ সন্তুষ্টি ব্যক্ত কৰিছে। এই আধাৰতে গৃহ ৰাজ্যৰ ভিতৰতে সৰ্বাধিক জনপ্ৰিয় মুখ্যমন্ত্ৰী আৰু দেশৰ দ্বিতীয় জনপ্ৰিয় মুখ্যমন্ত্ৰী হিচাপে (দহ পৃষ্ঠাত চাওক)

### সম্পাদকীয় শিতান...

## দানবৰ যৌন লালসা



**দেৱাশীষ গোস্বামী, নগাঁও**

লালসা, শব্দটোৱে নিজেই ব্যক্ত কৰিছে ইয়াৰ অন্তৰ্নিহিত অৰ্থ, যিয়েই ইয়াৰ কবলত পৰিছে সৰ্বচ্ছ হেৰুৱাইছে, ভেটি-মাটি উছন হৈছে। বৰ্তমান সময়ত লালসাই নিজৰ হাতোৰা ইমানেই বেয়াকৈ প্ৰসাৰিত কৰিছে যে গৰিষ্ঠ সংখ্যকেই অতি নিৰ্লজ, নগ্ন ভাবে আত্মসমৰ্পন কৰিছে, নিজৰ মন-মগজুৰ ওপৰত নিয়ন্ত্ৰন হেৰুৱাই পেলাইছে, আৰু ফলত নকৰিবলগীয়া সমাজ বিৰোধী কামত লিপ্ত হৈছে। লালসাই জন্ম দিছে দুৰ্ধৰ্ষ অপৰাধীৰ। অতিজৰে পৰা শুনি অহা, দেখি অহা বিভিন্ন যুদ্ধৰ মূলতে একমাত্ৰ লালসা, যি নিমিষতে এখন দেশ, এটা জাতি, এটা প্ৰজন্ম নিঃশেষ কৰি দিয়ে। মুঠতে লালসাই য'ত কুটৰ ঘাই বিভিন্ন সময়ত ভিন ভিন অপৰাধী সৃষ্টি কৰাত আৰু সেই অপৰাধী সমূহ প্ৰধানতঃ হেঙাৰ, বাধাৰ প্ৰাচীৰ স্বৰূপ দোপত দোপে উন্নতিৰ জখলাত আগুৱাই যোৱা এখন সমাজৰ, এখন দেশৰ।

সময় ভেদে, মানুহ ভেদে লালসাৰ প্ৰকাৰ ভিন ভিন। নিষিদ্ধ পোৱাৰ লালসাই বিভিন্ন সময়ত ধন-জনৰ হানি কৰি অতি ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰে। বৰ্তমান সময়ৰ বহু চৰ্চিত এটি শব্দ 'ধৰ্ষণ' প্ৰায় প্ৰতিদিনে দেশখনৰ (দহ পৃষ্ঠাত চাওক)

# ধিঙৰ কিশোৰী নিৰ্যাতন কাণ্ডৰ মূল অভিযুক্তৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- ধিঙৰ জঘন্য ঘটনাৰ অন্যতম অভিযুক্ত তফাজ্জুল ইছলামৰ মৃত্যু। আৰক্ষীৰ জিম্মাতে মৃত্যু হয় ৰাজ্য কঁপাই যোৱা ধিং-কাণ্ডৰ অন্যতম অভিযুক্ত তফজ্জুল ইছলামৰ। উল্লেখ্য যে, আৰক্ষীয়ে বিভিন্ন তথ্যৰ ভিত্তিত শুকুৰবাৰে নিশা গ্ৰেপ্তাৰ কৰিছিল ধিঙৰ অমানৱীয় নাবালিকা ধৰ্ষণ-কাণ্ডৰ অভিযুক্ত তফজ্জুলক। আৰক্ষীয়ে লাভ কৰা তথ্যৰ ভিত্তিত নিশ্চিত হয় যে এই নাৰকীয় ঘটনাৰ মাষ্টাৰমাইণ্ড আছিল তফজ্জুল। ইয়াৰ পিচত শুকুৰবাৰে নিশা তফজ্জুলক সোধা-পোছাৰ অন্তত তদন্তৰ বাবে ঘটনা সংঘটিত স্থানলৈ লৈ গৈছিল আৰক্ষীয়ে। শনিবাৰে পুৱতি নিশা ৪ মান বজাত ঘটনাস্থলীলৈ আৰক্ষীয়ে লৈ যায় তফজ্জুলক। কিন্তু সেই সময়তে তফজ্জুলে হেণ্ডকাফ পৰিহিত অৱস্থাতে ওচৰতে থকা পুখুৰীত জঁপিয়াই পলাবলৈ চেষ্টা কৰে। কিন্তু দুয়ো হাত বন্ধা থকাৰ বাবে সাঁতুৰিব নোৱাৰি পানীত ডুব যায় তফজ্জুল। ইয়াৰ পিচত আৰক্ষীয়ে অভিযুক্ত তফজ্জুলক উদ্ধাৰৰ বাবে চেষ্টা কৰে যদিও বিফল হোৱাত এছ ডি আৰ এফ বাহিনীক খবৰ দিয়ে। ঘটনাস্থলীত এছ ডি আৰ এফৰ দল উপস্থিত হৈ প্ৰায় দুঘণ্টা ধৰি চলোৱা অভিযানৰ অন্তত তফজ্জুলৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ধিঙত এগৰাকী দশম শ্ৰেণীৰ ছাত্ৰীক টিউছনলৈ যোৱাৰ সময়ত অপকৰ্ম কৰি পথৰ দাঁতিত পেলাই থৈ গৈছিল তিনি দুৰ্বৃত্তই। ইয়াৰ পিচত (দহ পৃষ্ঠাত চাওক)

# মৌলবাদী জেহাদীৰ বাবে অসমত অসুৰক্ষিত নাৰী সমাজ ঃ এবিভিপি




ৰঙিলী বাৰ্তাসেৱা- অসমৰ বহুকেইটা স্থানত শেহতীয়াকৈ সংঘটিত হোৱা নাৰী নিৰ্যাতনৰ বিৰুদ্ধে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ আহ্বান মৰ্মে অসমৰ বিভিন্ন প্ৰান্তৰ এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। এবিভিপিৰ উদ্যোগত গুৱাহাটীৰ দিছপুৰত এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়।শেহতীয়াকৈ অসমৰ বিভিন্ন প্ৰান্তত বৃদ্ধি পোৱা নাৰী নিৰ্যাতনৰ ঘটনাৰ বাবে অসমৰ জনগাঁথনিৰ পৰিবৰ্তন বুলি উল্লেখ কৰি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে আজি সমগ্ৰ অসমত এই বিক্ষোভ কাৰ্যসূচী ৰূপায়ন কৰে। অসমৰ ভয়াবহ এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰক এই ক্ষেত্ৰত অতি ক্ষিপ্ৰতাৰে ব্যৱস্থা গ্ৰহণ আৰু অসমৰ জনসাধাৰণকো এই ক্ষেত্ৰত সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনায়। বিক্ষোভ কাৰ্যসূচীত উপস্থিত থাকি এবিভিপিৰ ৰাজ্যিক সম্পাদক হেৰম্ভ মহনে মৌলবাদী জেহাদীৰ বাবে অসমত নাৰী সমাজ অসুৰক্ষিত বুলি উল্লেখ কৰে। ইয়াৰ লগতে নগাওঁ, গুৱাহাটী, লংকা, শিলচৰ, গোৱালপাৰা, ধুবুৰী জিলাৰ বিভিন্ন স্থানটো প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়।

# উৎকোচ লৈ হাতে-লোটে ধৰা পৰিল উচ্চ বৰ্গৰ সহায়ক প্ৰবীণ মুছাহাৰী



ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰকৰ অভিযানত জালত পৰিল গোৱালপাৰাৰ এগৰাকী চৰকাৰী কৰ্মচাৰী। তদাৰকী আৰু দুৰ্নীতি নিবাৰকৰ দলে বুধবাৰে অভিযান চলাই গোৱালপাৰাৰ সহকাৰী পঞ্জীয়কৰ উচ্চবৰ্গৰ সহায়ক প্ৰবীণ মুছাহাৰীক গ্ৰেপ্তাৰ কৰে। গোৱালপাৰা জিলাৰ হাতোগাঁৱৰ ভাই-ভনী মীন মহল সমবায় সমিতিখনৰ বিষয়ববীয়াই পঞ্জীয়ন কৰিবলৈ অহাত কাৰ্যালয়টোৰ উচ্চ বৰ্গৰ সহায়ক প্ৰবীণ মুছাহাৰীয়ে পঞ্জীয়নৰ নামত ৫০ হাজাৰ টকা উৎকোচ বিচাৰিছিল। পিছত এই বিষয়ে হাতোগাঁৱৰ ভাই-ভনী মীন মঙ্গল সমবায় সমিতিখনৰ বিষয়ববীয়াসকলে তদাৰকী আৰু দুৰ্নীতি নিবাৰকৰ শাখাত অভিযোগ দিয়ে। এই অভিযোগৰ ভিত্তিত তদাৰকী আৰু দুৰ্নীতি নিবাৰকৰ দলে অভিযান চলাই ১০ হাজাৰ টকা উৎকোচ লওঁতে হাতে-লোটে কৰায়ত্ত কৰে উচ্চবৰ্গৰ সহায়ক প্ৰবীণ মুছাহাৰীক। পিছত উচ্চবৰ্গৰ সহায়ক গৰাকীক গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ লৈ যায়। উল্লেখ্য যে গোৱালপাৰা জিলাত মাটিয়া শিক্ষাখণ্ড বিষয়া, আৰক্ষী বিভাগৰ সহকাৰী উপ-পৰিদৰ্শক, মাটিয়া উন্নয়ন খণ্ড বিষয়া, গোৱালপাৰা জিলা কৃষি বিষয়া, ঔষধ পৰিদৰ্শকৰ কাৰ্যালয়ৰ কৰ্মচাৰী আদি কৰি কেইবাগৰাকী বিষয়া- কৰ্মচাৰীৰ পিছত গোৱালপাৰাৰ সহকাৰী পঞ্জীয়কৰ উচ্চবৰ্গৰ সহায়ক প্ৰবীণ মুছাহাৰীয়ে তদাৰকী আৰু দুৰ্নীতি নিবাৰকৰ জালত পৰে।

# জনসংখ্যা সমাধান ফাউণ্ডেচন(জেএছএফ), অসম

ৰঙিলী বাৰ্তাসেৱা- জনসংখ্যা সমাধান ফাউণ্ডেচনৰ ৰাষ্ট্ৰীয় দায়িত্ব নিৰ্ধাৰণ সমিতিয়ে দেশৰ কেইবাখনো ৰাজ্যত ৰাজ্যিক সভাপতি আৰু ৰাষ্ট্ৰীয় কাৰ্যকৰী সদস্য নিয়োগ কৰিছে। অসম জেএছএফৰ বাবে শ্ৰী ভাস্কৰ দাসক ৰাজ্যিক সভাপতি হিচাপে নিয়োগ কৰি, প্ৰাক্তন ৰাজ্যিক সভাপতি শ্ৰী পংকজ তালুকদাৰক ৰাষ্ট্ৰীয় উপসভাপতি, শ্ৰী নিলম হাজৰিকা আৰু শ্ৰী প্ৰদ্যুতপল শৰ্মাক ৰাষ্ট্ৰীয় কাৰ্যকাৰিণী সদস্য হিচাপে দায়িত্ব প্ৰদান কৰিছে।

# ধিঙৰ কিশোৰীৰ দলবদ্ধ ধৰ্ষণৰ ন্যায় বিচাৰি বিক্ষোভ

ৰঙিলী বাৰ্তাসেৱা- আৰ জি কৰ মেডিকেল কলেজৰ ছাত্ৰীগৰাকীৰ নৃশংস ধৰ্ষণ আৰু হত্যাৰ বিৰুদ্ধে সমগ্ৰ দেশৰ ছাত্ৰ, মহিলা, যুৱ সহ সৰ্বস্তৰৰ ৰাইজ ক্ষোভত ফাটি পৰিছে। তাৰেই প্ৰতিক্ৰিয়া অন্ত নপৰতেই নগাঁওৰ ধিঙত দশম শ্ৰেণীৰ ছাত্ৰীগৰাকীৰ ওপৰত তিনিগৰাকী নৰপিশাচে জপিয়াই পৰি দলবদ্ধ ধৰ্ষণ কৰে। বিহালীতো এনেধৰণৰ আক্ৰমণৰ সন্মুখীন হ'ল এগৰাকী ছাত্ৰী। ছাত্ৰ সংগঠন এ আই ডি এছ অ', মহিলা সংগঠন এ আই এম এছ এছ আৰু যুৱ সংগঠন এ আই ডি ৱাই অ'ৰ অসম ৰাজ্যিক কমিটীৰ উদ্যোগত ধিঙৰ কিশোৰী ছাত্ৰীগৰাকীৰ দলবদ্ধ ধৰ্ষণৰ ঘটনাৰ বিৰুদ্ধে




উলুবাৰীৰ ভলভ পইন্টত বিক্ষোভ প্ৰদৰ্শন কৰা হয়। ভালেসংখ্যক ছাত্ৰ - ছাত্ৰী, মহিলা আৰু আৰু প্ৰতিবাদী ৰাইজে সমবেত হৈ "ধিঙৰ কিশোৰী ছাত্ৰীগৰাকীৰ নৃশংস ধৰ্ষণকাৰীসকলক ফাঁচী দিয়ক, ছাত্ৰী তথা মহিলাসকলৰ নিৰাপত্তা সুনিশ্চিত কৰক, নাৰী হত্যা - ধৰ্ষণ বন্ধ কৰক, ফাৰ্ষ্ট ট্ৰেক ক'ৰ্টৰ যোগেদি নাৰীৰ ওপৰত আক্ৰমণৰ সকলো ঘটনাৰ বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰক, We want justice" আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। এ আই ডি এছ অ'ৰ ৰাজ্যিক উপসভাপতি পল্লৱ পেগুৰ পৰিচালনাত আয়োজিত প্ৰতিবাদী সভাত অংশগ্ৰহণ কৰি এ আই এম এছ এছ'ৰ ৰাজ্যিক কমিটীৰ সদস্য প্ৰণীতা বৰ্মনে কয় যে সৰু ফুলকোমলীয়া ছোৱালীৰ ওপৰত পাশৱিক ধৰ্ষণ ঘটনাত অত্যন্ত দুখজনক। তেওঁ কয় যে প্ৰতি ৫ মিনিটৰ মূৰে মূৰে এই দেশত ধৰ্ষণৰ ঘটনা সংঘটিত হৈ আছে। ছোৱালীসকলৰ ওপৰত এনেধৰণৰ নিৰ্মম অত্যাচাৰ সহ্য কৰিব নোৱাৰি। সেয়েহে সকলো অপৰাধীক অবিলম্বে গ্ৰেপ্তাৰ কৰাৰ লগতে ফাৰ্ষ্ট ট্ৰেক ক'ৰ্টৰ যোগেদি বিচাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ তেওঁ দৃঢ়তাৰে দাবী জনায়। এ আই ডি এছ অ'ৰ ৰাজ্যিক সম্পাদক হেমন্ত পেগুয়ে কয় যে যুৱচামৰ নৈতিক মেৰুদণ্ড ধ্বংস কৰাৰ প্ৰধান কাৰক পৰ্ণোগ্ৰাফী আৰু মদ-ড্ৰাগছৰ ব্যাপক প্ৰচলন। অথচ এইসমূহৰ প্ৰচলন বন্ধ কৰাৰ পৰিৱৰ্তে চৰকাৰে উৎসাহ-উদ্গনি আগবঢ়াই আছে। ফলত চৰিত্ৰ ধ্বংস কাৰী এই কাৰকসমূহ বন্ধ কৰাৰ দাবীত তীব্ৰ আন্দোলন গঢ়ি তোলাৰ লগতে লগতে উন্নত সাংস্কৃতিক আন্দোলন গঢ়ি তুলিব লাগিব। উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰি এ আই ডি ৱাই অ'ৰ অসম ৰাজ্যিক কমিটীৰ কাৰ্যালয় সম্পাদক কমৰেড বিজিত সিনহাই ছাত্ৰী তথা মহিলাসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে চৰকাৰক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়।

# এবিভিপিৰ সদস্যতা অভিযানৰ সৰ্বাধিক সদস্যতা দিন




ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সদস্যতা অভিযান সমগ্ৰ অসমত যোৱা ৫ আগষ্টৰ পৰা অহা ৩০ আগষ্টলৈ অনুষ্ঠিত হৈ আছে। ইতিমধ্যে সমগ্ৰ অসমৰ প্ৰায় সকলো মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু অন্যান্য শিক্ষা প্ৰতিষ্ঠান সমূহত পূৰ্ণ উদ্যমেৰে এই সদস্যতা অভিযান চলি আছে। উল্লেখযোগ্য যে এক নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ যোগেদি প্ৰতিবছৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে সমগ্ৰ ভাৰতবৰ্ষত সদস্যতা অভিযান অনুষ্ঠিত কৰি আহিছে। ছাত্ৰ শক্তিক ৰাষ্ট্ৰ শক্তি হিচাপে নিৰ্মাণ কৰি ভাৰত মাতৃক বিশ্বৰ ভিতৰতে এখন বিকশিত ৰাষ্ট্ৰ হিচাপে নিৰ্মাণ কৰিবলৈ অহৰহ কাম কৰা ছাত্ৰ সংগঠনটোৱেই হৈছে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ। সদস্যতা অভিযানৰ এই অংশ হিচাপে অসমৰ প্ৰতিখন জিলাৰ প্ৰায় প্ৰতিখন শিক্ষানুষ্ঠানতেই এই সদস্যতা অভিযান অনুষ্ঠিত হৈ আছে। য'ত ছাত্ৰ সমাজে স্বতঃস্ফূৰ্ত ভাৱে ওলাই আহি বিশ্বৰ এই সৰ্ব বৃহৎ ছাত্ৰ সংগঠনটিৰ সদস্যতা গ্ৰহণ কৰিছে। বিশেষকৈ অসম বিশ্ববিদ্যালয়, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, দৰং মহাবিদ্যালয়, তেজপুৰ কলেজ, গণেশ লাল চৌধুৰী মহাবিদ্যালয়, পাণ্ডু মহাবিদ্যালয়, হোজাই বালিকা মহাবিদ্যালয়, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়, লখিমপুৰ বাণিজ্য মহাবিদ্যালয়, বি.এছ. মহাবিদ্যালয়, শ্ৰী কৃষ্ণগু সাৰদা মহাবিদ্যালয়, বিশ্বনাথ মহাবিদ্যালয় আদিকে ধৰি প্ৰায় বোৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানতেই সদস্যতা অভিযান অনুষ্ঠিত হয়।

# কৈলাখাত প্ৰাথমিক বিদ্যালয়লৈ "গ্ৰাছ"ৰ নিৰ্মল সেউজ বঁটা



ৰঙিলী বাৰ্ত্তাসেৱা- বোকাখাতৰ অন্যতম বে-চৰকাৰী স্বেচ্ছাসেৱী সংগঠন গ্ৰাছে বিগত বৰ্ষৰ দৰে এইবছৰো ২০২৪ বৰ্ষত বিভিন্ন সময়ত প্ৰদান কৰি অহা বঁটা সমূহৰ লগতে শিক্ষক দিবস উপলক্ষে শিক্ষাবিদ, ধৰ্মপ্ৰাণ ব্যক্তি প্ৰয়াত থানেশ্বৰ ভূঞাৰ সোঁৱৰণত 'গ্ৰাছ নিৰ্মল সেউজ বঁটা' গ্ৰাছৰ মুখ্য কাৰ্যালয়ত সংবাদ মেলৰ যোগেদি গ্ৰাছৰ সভাপতি-সম্পাদক ক্ৰমে অংকুৰ বৰঠাকুৰ আৰু ইন্দ্ৰেশ্বৰ বৰাই ঘোষণা কৰে। এই বঁটা লাভ কৰিছে বোকাখাত উপ-জিলাৰ (দহ পৃষ্ঠাত চাওক)

# অন্ধ্ৰ প্ৰদেশৰ ফাৰ্মা কোম্পানীত ৰিয়েক্টৰ বিস্ফোৰণ

ৰঙিলী বাৰ্ত্তাসেৱা- অন্ধ্ৰ প্ৰদেশৰ অনকাপল্লীৰ এটা ফাৰ্মা কোম্পানীত বুধবাৰে এক বৃহৎ দুৰ্ঘটনা সংঘটিত হয়। জিলাখনৰ ৰামবিল্লী মণ্ডলৰ অচ্যুতপুৰম SEZ ৰ ইচেন্সিয়া কোম্পানীত ৰিয়েক্টৰ বিস্ফোৰণত ১৭ জন লোকৰ মৃত্যু হোৱাৰ লগতে প্ৰায় ৪০ জন লোক আহত হয় । আহতসকলক ততাতৈয়াকৈ আনকাপল্লীৰ বিভিন্ন চিকিৎসালয়ত ভৰ্তি কৰি চিকিৎসা প্ৰদান কৰা হয় । নিহত সাতজনৰ ভিতৰত হৰিকা আৰু মোহনা নামৰ দুজন শ্ৰমিকক অনকাপল্লী চিকিৎসালয়লৈ নিয়াৰ সময়তে মৃত্যু হয়। আনহাতে আহতসকলৰ ভিতৰত ৫ জন ৬০ শতাংশতকৈ অধিক অগ্নিদগ্ধ হোৱা বুলি জানিব পৰা গৈছে । লোককেইজনৰ মৃতদেহ অনকাপল্লী চৰকাৰী চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে। ৰিয়েক্টৰ বিস্ফোৰণৰ ফলত ফাৰ্মা কোম্পানীটোত এক বিশাল অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত উদ্যোগটোৰ ভিতৰত বহু শ্ৰমিক আবদ্ধ হৈ পৰে। ঘটনাৰ সম্ভেদ লাভ কৰাৰ পাছতেই ৮ খন অগ্নিনিৰ্বাপক বাহনে ঘটনাস্থলীত উপস্থিত হৈ জুই নিয়ন্ত্ৰণৰ বাবে নিয়োজিত হয় । দুৰ্ঘটনাটোৰ ফলত ফাৰ্মা কোম্পানীটোৰ ওচৰ-পাজৰ অঞ্চল ঘন ধোঁৱাই ছানি ধৰিছে। ৰিয়েক্টৰ বিস্ফোৰণৰ ফলত হোৱা প্ৰচণ্ড শব্দৰ বাবে গাঁৱৰ ৰাইজ আতংকিত হৈ পৰে। ফাৰ্মা কোম্পানীটোত বিস্ফোৰণ সংঘটিত হোৱাৰ তথ্য লাভ কৰাৰ পাছতে গৃহমন্ত্ৰী অনিতাই ঘটনাৰ সবিশেষ বুজ লয়। তেওঁ অনকাপল্লীৰ কালেক্টৰৰ সৈতে ফোনযোগে কথা পাতি ভুক্তভোগীক উন্নত চিকিৎসা প্ৰদানৰ নিৰ্দেশ দিয়ে। ইফালে মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱেও এই দুৰ্ঘটনাক লৈ শোক প্ৰকাশ কৰে। তেওঁ দুৰ্ঘটনাৰ তথ্য লাভ কৰাৰ পাছত জিলা আয়ুক্তৰ লগত কথা পাতি ঘটনাৰ বুজ লয় আৰু তাৎক্ষণিকভাৱে সকলো সাহায্য প্ৰদানৰ নিৰ্দেশ দিয়ে।

# ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ নিৰ্বাচিত অসমৰ ২০গৰাকী খেলুৱৈ



ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰাখণ্ডত হ'বলগীয়া ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে অসমৰ ২০ জন কালাৰিপায়াট্টু খেলুৱৈ নিৰ্বাচিত হোৱাটো নিশ্চিত হৈছে। ৯-১১ আগষ্টত কেৰালাত অনুষ্ঠিত ১৬সংখ্যক ৰাষ্ট্ৰীয় কালাৰিপায়াট্টু প্ৰতিযোগিতাত দেখুওৱা প্ৰদৰ্শনৰ ভিত্তিত এই খেলুৱৈসকলক দেশৰ সৰ্বোচ্চ ক্ৰীড়া প্ৰতিযোগিতা- ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ বাচনি কৰা হৈছে। ১৬সংখ্যক ৰাষ্ট্ৰীয় কালাৰিপায়াট্টু প্ৰতিযোগিতাত অসমে এটা সোণ, ছটা ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদকসহ মুঠ ১৩টা পদক লাভ কৰি দ্বিতীয় স্থান অধিকাৰ কৰে। ইয়াৰে পৰাগজ্যোতি ডেকা, আছিকুৰ ৰহমান, আকিবাৰ চাংমা, ইমৰাণ আলী, মনজয় চেত্ৰী, ৰাহুল ঘৰছানে, ছৰফৰাজ আলী আৰু ৰিকি খাৰকাই ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ বাচনি লাভ কৰিছে। আনহাতে, ৰেংকিঙৰ ভিত্তিত আন ১২জন খেলুৱৈয়ে ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ বাচনি লাভ কৰিছে।

# মাকুমত আপৰ যোগদান কাৰ্যসূচী



ৰঙিলী বাৰ্ত্তাসেৱা- তিনিচুকীয়া জিলাৰ মাকুম বিধান সভা সমষ্টিত দীৰ্ঘদিনৰ পৰা কংগ্ৰেছ দলৰ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰা জ্যেষ্ঠ কংগ্ৰেছ নেতা ভগীৰথী গোৱালাৰ দলত্যাগ। কংগ্ৰেছ ত্যাগ কৰি আম আদমী পাৰ্টিত যোগদান কৰে জ্যেষ্ঠ নেতাগৰাকীয়ে। মাকুমৰ হাপজান আঞ্চলিক পঞ্চায়তৰ সভাপতি হিচাপে কংগ্ৰেছ দলৰ পৰা ক্ৰমে দুটাকৈ কাৰ্যকালৰ বাবে নিৰ্বাচিত হৈছিল গোৱালা। তদুপৰি আদিবাসী চাহ জনগোষ্ঠীৰ জনপ্ৰিয় নেতাগৰাকীয়ে টিপুক সমবায় সমিতিৰ প্ৰাক্তন সভাপতি পদতো কাৰ্যনিৰ্বাহ কৰিছিল। আপৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যিক ৱৰ্কিং কমিটীৰ সহযোগী আহ্বায়ক মনোজ ধানোৱাৰ, আপ যুৱ শক্তিৰ আহ্বায়ক বাবুল বিকাশ চেতিয়া আৰু দলৰ চাহ শক্তিৰ নেতা যোগেশ্বৰ কুৰ্মীৰ উপস্থিতিত ভগীৰথী গোৱালাই আপত যোগদান কৰে। আনহাতে, আম আদমী পাৰ্টিৰ নীতি আৰু আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ বিজেপিৰ সংখ্যালঘু কোষৰ প্ৰাক্তন মণ্ডল সভাপতি পিটাৰ নন্দ আৰু অনিল কুমাৰে বিজেপি ত্যাগ কৰি আপত যোগদান কৰে। কাৰ্যসূচীত এই সকল নেতাৰ লগতে বাঘজান আৰু কৰ্দৈগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত বহুংখ্যক কংগ্ৰেছ আৰু বিজেপিৰ সমৰ্থকেও (দহ পৃষ্ঠাত চাওক)

# ধৰ্মৰ ভিত্তিত সাংবাদিকক লক্ষ্য কৰি লোৱাটো উদ্বেগজনক

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ বহুকেইগৰাকী ৰাজনৈতিক নেতাই বিভিন্ন সময়ত সাংবাদিকসকলক তুচ্ছ-তাচ্ছিল্য কৰি অহাৰ সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰ আগষ্টত এগৰাকী সাংবাদিকে সোধা এটা প্ৰশ্নৰ প্ৰসংগত ধৰ্মীয় মেৰুকৰণেৰে সাংবাদিকগৰাকীক লক্ষ্য কৰি লোৱাতো গুৱাহাটী প্ৰেছ ক্লাবৰ দৃষ্টি গোচৰ হৈছে। মুখ্যমন্ত্ৰী গৰাকীৰ এই মন্তব্যত উদ্বেগ প্ৰকাশ কৰা হৈছে। ভৱিষ্যতে এনে ধৰণৰ কাৰ্যৰ পুনৰাবৃত্তি যাতে নকৰে তাৰ প্ৰতি গুৰুত্ব দিবলৈ মুখ্যমন্ত্ৰীৰ লগতে সকলো ৰাজনৈতিক নেতাক আহ্বান জনায় গুৱাহাটী প্ৰেছক্লাবৰ সভাপতি সুস্মিতা গোস্বামী, সম্পাদক সঞ্জয় ৰয়ে।

# ডিব্ৰুগড়ত অনুজ্ঞাপত্ৰ বিহীনভাৱে তিনিচকীয়া শ শ গাড়ী চলিছে

ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ পৰিবহন বিভাগৰ ১৬\১২\২০১৪ চনৰ তথ্য মতে ডিব্ৰুগড়ত এপে গাড়ীৰ সংখ্যা বহুত নগণ্য আছিল। ডিব্ৰুগড় পৰিবহন বিভাগে উক্ত তথ্য মতে তিনিচকীয়া গাড়ীক অনুজ্ঞাপত্ৰ দিয়ে ৪৮৩ খন। ডিব্ৰুগড় পৰিবহন বিভাগে তিনিচকীয়া গাড়ী সমূহক পাৰ্মিটত উল্লেখ কৰে যে চেন্টাৰ'ৰ পৰা ১০ কিলোমিটাৰ ৰেঞ্জৰ ভিতৰত চলাচল কৰিব পাৰিব বুলি। সম্প্ৰতি ডিব্ৰুগড় চহৰত চিএনজি আৰু ইৰিক্সাৰ দৌৰাত্ম্য। চিএনজি আৰু ই-ৰিক্সা গাড়ী সমূহক পথত চলা অনুজ্ঞাপত্ৰ দিছে গ্ৰামাঞ্চলত



চলাবলৈ কিন্তু তেওঁলোকে অবাধ গতিত চলাই আছে টাউনৰ ভিতৰত যাৰ বাবে দিনে নিশাই চহৰখনত সাংঘাটিক ধৰণে যান জঁটৰ সৃষ্টি হৈছে। ডিব্ৰুগড় জিলা পৰিবহন বিভাগে পথ সমূহত তিনিচকীয়া বাহন চলাচলৰ ক্ষেত্ৰত "পাৰ্মিট"ৰ সন্দৰ্ভত কিছু নীতি নিৰ্দেশনা বা নিয়মাৱলী জাৰি কৰিছে। যেনে মই কোনো অকৰ্তৃত্বশীল ব্যক্তিক মোৰ অটো ৰিক্সা চলাবলৈ নিদিওঁ- মই কেৱল অনুমোদিত পথত আবদ্ধ হৈ থাকিম! পাৰ্মিটত'ৰ নিয়মসমূহ মতে গাড়ীখন চলিব আৰু ডিব্ৰুগড় পৌৰসভাৰ এলেকাত প্ৰৱেশ বা স্পৰ্শ নকৰো !লগতে ৰাষ্ট্ৰীয় ঘাইপথ স্পৰ্শ নকৰো। এই নীতি নিয়ম সমূহ ভৰিৰে মোহাৰি ডিব্ৰুগড় সদৰত এই গাড়ীবোৰ দিনে নিশাই টিঘিলঘিলাই ঘূৰি ফুৰে, বিশেষকৈ ডিটিও, এম ভি আই, আৰু পথৰ দুয়োকাষে থকা আচঁ অতিক্ৰম কৰিলেই দৌৰি আহি মোবাইল কেমেৰাৰে ফটো মাৰি ফাইন কটা পুলিচ কেইটাৰ সন্মুখেদি। তিনিচকীয়া অনুজ্ঞাপত্ৰ বিহীন গাড়ী কেইখনৰ ফাইন কাটিয়ে দায় সাৰাৰ কাৰণে আজি অবাধ গতিত পিয়াপি দি মিনিটে মিনিটে গাড়ীৰ লানি নিছিগা তিনচকীয়া গাড়ীৰ বাবে ডিব্ৰুগড় চহৰত যান যঁটৰ সৃষ্টি হৈছে। ডিব্ৰুগড়ৰ পৌৰনিগমৰ অঞ্চলত আৰু ৰাষ্ট্ৰীয় ঘাইপথত দিনে-নিশাই চলি আছে এই ক্ষেত্ৰত ডিব্ৰুগড়ৰ যুৱ ছাত্ৰ পৰিষদৰ সম্পাদক বিতুপন দুৱৰাই কয় যে ইয়াৰ লগত হয়তো মতা অংক জড়িত হৈ আছে যাৰ বাব সকলোৰে দেখিও নেদেখাৰ কুলি চৰাইৰ ভাও ধৰি আছে আৰু বাধাহীন ভাৱে চলাই আছে।

ডিব্ৰুগড় জিলা পৰিবহন বিভাগ আৰু ডিব্ৰুগড় যানবাহন আৰক্ষী বিভাগৰ কাৰ্য্যালয় ডিব্ৰুগড়ত আছে নে নাই সেইয়া প্ৰশ্ন উত্থাপন কৰিছে সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক গৰাকীয়ে। তেওঁ কয় যে আচৰিত, যানবাহন আৰক্ষীৰ সন্মুখত চিএনজি গাড়ীবোৰ যাত্ৰী উঠা নমা কৰি থাকে কিন্তু বিভাগ নিৰুপাই, কিয় ইমান এই সকলৰ প্ৰতি।এই গাড়ী সমূহক বাৰম্বাৰ ফাইন কাটিলে কোনোধৰণৰ আচৰিত কথা নহয়। ডিব্ৰুগড় জিলা পৰিবহন বিভাগৰ লগত ৰাস্তাৰ "পাৰ্মিট"ৰ সন্দৰ্ভত কিছু নীতি নিৰ্দেশনা !নিয়মাৱলী মানি চলোৱাৰ ওপৰত চুক্তিবদ্ধ পত্ৰখন কত হেৰাল? ডিব্ৰুগড় জিলা পৰিবহন বিভাগৰ লগত কৰা চুক্তিপত্ৰৰ মতে প্ৰদক্ষেপ লোৱাৰ আহ্বান। ডিব্ৰুগড়ত এই দৰে পাৰ্মিট বিহীন গাড়ীয়ে যানজঁটৰ প্ৰধান সমস্যা স্বৰূপ। ডিব্ৰুগড় জিলা পৰিবহন বিভাগে এই সমূহ গাড়ীক কেতিয়া নাকি লগাব এই মন্তব্য আগবঢ়ায় মটক যুৱ-ছাত্ৰ পৰিষদ ডিব্ৰুগড় জিলাৰ সাধাৰণ সম্পাদক বিতুপন দুৱৰাই।

# ৰাজ্যসভা নিৰ্বাচনৰ বাবে বিজেপিৰ দুই প্ৰাৰ্থীৰ মনোনয়ন দাখিল



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যসভাৰ খালী হৈ থকা দুখন আসনৰ বাবে বুধবাৰে মনোনয়ন দাখিল কৰে বিজেপিৰ প্ৰাৰ্থী ৰামেশ্বৰ তেলী আৰু মিছন ৰঞ্জন দাসে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিতিত আনুষ্ঠানিকভাৱে মনোনয়ন পত্ৰ দাখিল কৰে দুই বিজেপি নেতাই। উল্লেখ্য যে এই দুই আসনৰ বাবে বিৰোধী দলে এই পৰ্যন্ত নিৰ্বাচনৰ বাবে প্ৰাৰ্থী ঘোষণা কৰা নাই। মনোনয়ন দাখিলৰ সময়ত এই দুই প্ৰাৰ্থীক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী অতুল বৰা আৰু বি জে পিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই সংগ দিয়ে।

(দহ পৃষ্ঠাত চাওক)

# আপৰ সংবাদমেলত এপিডিচিএলৰ বিৰুদ্ধে লুণ্ঠনৰ অভিযোগ

ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যজুৰি এপিডিচিএলে সংস্থাপন কৰা স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে সংবাদমেলত সৰৱ হ'ল আম আদমী পাৰ্টিৰ জ্যেষ্ঠ নেতা ৰমেন বৰঠাকুৰ। গণেশগুৰিস্থিত আপৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত বৰঠাকুৰে কয়, " ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঘনিষ্ঠ বৃহৎ পুঁজিপতি গৌতম আদানিৰ প্ৰতিষ্ঠানৰ স্বাৰ্থত স্মাৰ্ট মিটাৰ সংস্থাপন কৰিছে। মুখ্যমন্ত্ৰীৰ বাবে অসমৰ জনসাধাৰণৰ স্বাৰ্থ মূল কথা নহয়। আদানিৰ স্বাৰ্থতহে অসমৰ ঘৰে ঘৰে এপিডিচিএলে স্মাৰ্ট মিটাৰ সংস্থাপন কৰিছে। আদানিৰ কোম্পানীক ৮৪০ কোটি টকাৰ ঠিকা দিছে অসম চৰকাৰৰ শক্তি বিভাগে। এয়া ৰাজ্যৰ সাধাৰণ জনতাৰ ওপৰত মাধমাৰ। আম আদমী পাৰ্টিয়ে শীঘ্ৰেই চৰকাৰক স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাওঁ।" আপৰ নেতাগৰাকীয়ে দিল্লীৰ আম আদমী পাৰ্টিৰ চৰকাৰৰ দৰে




অসমতো ২০০ ইউনিটলৈকে বিদ্যুৎ বিনামূলীয়াকৈ যোগান ধৰিবলৈও দাবী জনায়। এপিডিচিএলে স্মাৰ্ট মিটাৰৰ জৰিয়তে সাধাৰণ মানুহৰ ওপৰত লুণ্ঠন আৰু হাৰাশাস্তি চলোৱাৰ অভিযোগ আপৰ নেতা ৰমেন বৰঠাকুৰৰ । তেওঁ কয়, " পূৰ্বে যিসকল লোকে ২০০ টকা বিদ্যুতৰ বিল আদায় দিছিল তেওঁলোকৰ পৰা এতিয়া ১০০০ বা ১৫০০ টকাকৈ আদায় কৰিছে এপিডিচিএলে। এই ব্যৱস্থা চৰকাৰৰ জনবিৰোধী নীতিৰ ফল। চৰকাৰে শীঘ্ৰেই এই ব্যৱস্থা বন্ধ কৰক।" সংবাদমেলত আপ অসমৰ আন এগৰাকী নেতা ঋদ্ৰাংকুৰ হাজৰিকাই ৰাজ্যৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে পুনৰ ১৬১ খন চৰকাৰী বিদ্যালয় বন্ধ কৰাৰ সিদ্ধান্তৰ বিৰোধিতা কৰে। আপৰ জ্যেষ্ঠ নেতা হাজৰিকাই কয়, "ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে পুনৰ ১৬১ খন চৰকাৰী বিদ্যালয় বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে ইতিমধ্যে এই বিদ্যালয় সমূহৰ তালিকা প্ৰস্তুত কৰা বুলি প্ৰকাশ পাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে

(দহ পৃষ্ঠাত চাওক)

# ৰাখী বন্ধনত অংশগ্ৰহণ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ



ৰঙিলী বাৰ্তাসেৱা- কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাখী বন্ধন উপলক্ষে বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ মহিলা বিষয়া, কৰ্মচাৰীসকলৰ সৈতে ৰাখী বন্ধনৰ পৰ্বত অংশগ্ৰহণ কৰে। এই সময়ছোৱাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক মহিলা কৰ্মচাৰীসকলে ৰাখী পৰিধান কৰায়। সৰ্বানন্দ সোণোৱালে আটাইকে ৰাখী বন্ধনৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। মন্ত্ৰালয়ৰ বিষয়াসকলৰ উপৰিও সাগৰমালা ডেভেলপমেণ্ট কোম্পানী লিমিটেড, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (চিআইএছএফ), ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ (আইডব্লিউএআই)ৰ আন মহিলা কৰ্মচাৰীসকল তথা যুৱ পেছাদাৰীসকলেও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক ৰাখী উপহাৰ দিয়ে। এই যোগাত্মক পৰিৱেশে মন্ত্ৰালয়ৰ মাজত একতাৰ বাৰ্তা আৰু নাৰীশক্তিৰ সক্ৰিয় অংশগ্ৰহণ অধিক শক্তিশালী কৰিব বুলি সোণোৱালে উল্লেখ কৰে। সোণোৱালে কয়, "ৰাখী বন্ধন ভাৰতীয় সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। ৰাখী বন্ধনে ভাতৃ-ভগ্নীৰ অটুট মৰম-স্নেহ, সুৰক্ষাৰ দায়বদ্ধতা আৰু একতাৰ পৰিভাষাক প্ৰতিফলিত কৰি আহিছে। নাৰী সমাজৰ সুৰক্ষা, মৰ্যাদা আৰু সন্মান সুনিশ্চিত কৰাৰো প্ৰতীক ৰাখী বন্ধন। এই উৎসৱে ভাতৃ-ভগ্নীৰ মাজৰ নিবিড় সম্পৰ্ক আৰু চেনেহৰ এনাজৰী সুদৃঢ় কৰি আটাইৰে জীৱনলৈ কঢ়িয়াই আনক অনাবিল সুখ-সমৃদ্ধিৰ বতৰা।"

# নিসংগতাৰ মাজত জীৱনৰ বিয়লি বেলা....



**নমিতা দাস, শুৱালকুছি শান্তিতোল**

এই বিশাল জগতত অগনন প্ৰাণীৰ ভিতৰত একমাত্ৰ মানুহে শ্ৰেষ্ঠ। গতিকে মানুহৰ জীৱনটো বৰ অনুপম। জন্মৰ পিছৰে পৰা প্ৰতিটো স্তৰ পাৰ হৈ জীৱনৰ বিয়লি বেলাত উপনীত হওঁতে জীৱনৰ সকলো অভিজ্ঞতাৰে পৰিপূৰ্ণ হয় তেখেতৰ দেহ মন। এই স্তৰটো অতিকে স্পৰ্শকাতৰ স্তৰ বুলি কোৱা হয়। বয়সৰ লগে লগে মানুহৰ স্বভাৱ চৰিত্ৰৰ লগতে ৰুচি বোৰ সলনি হয়। তেতিয়াই খং, অভিমান বৃদ্ধি হয় লগতে পৰিয়ালৰ লোক সকলে যদি তেওঁক অবমাননা কৰিবলৈ লয় তেওঁ মানসিক আৰু শাৰীৰিক ভাবে লাহে লাহে অবনমিত হবলৈ ধৰে। তেতিয়াই জীৱনৰ কোনো কোনো সময়ত নিসংগ বোধ কৰে। কিন্তু জন্মৰ পিছৰে পৰা বিভিন্ন স্তৰ পাৰ হৈ জীৱনৰ অন্তিম আৰু শেষৰ স্তৰত উপনীত হওঁতে নিসংগতাৰ বাবে মনৰ শক্তি আৰু উদ্দম হ্ৰাস পোৱাই নহয় মানসিক ৰোগতো আক্ৰান্ত হোৱা দেখা যায়।

জীৱনৰ অভিজ্ঞতাৰে পৰিপক্ক হৈ অনেক জ্ঞান লাভ কৰিলেও শাৰীৰিক ভাবে এটি শিশুৰ দৰে হৈ পৰে বয়ো জেষ্ঠ প্ৰতিজন লোক। সংসাৰৰ সমষ্ট দায়িত্ব মূৰ পাতি লৈ যেতিয়া সকলো সমস্যা আৰু দায়িত্ব শেষ হৈ পৰে তেতিয়ালৈ পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰকে ধৰি আন ব্যক্তি সকলে তেওঁলোকৰ নিজৰ জীৱন বা নিজ নিজ পৰিয়ালত একাত্ম ভাবে সোমাই পৰি পৰিয়ালৰ বয়োজেষ্ঠ জনলৈ সময় দিবলৈ অসুবিধাত পৰা দেখা যায়। তেতিয়াই বয়োজেষ্ঠ লোকজনে অকলশৰীয়া হৈ পৰে সেই সময়ত সংগীৰ প্ৰয়োজনীতা অনুভৱ হয়।

এই পৰিবৰ্তনশীল পৃথিৱীত নিৰন্তৰভাবে নানা পৰিবৰ্তন হৈ আছে। আধুনিকতাৰ গৰাহত পৰি বা কৰ্ম সংস্থাপনৰ বাবেই, নতুবা উচ্চ শিক্ষাৰ বাবেই হওক, আজি কালি যৌথ পৰিয়ালৰ ব্যৱস্থা হ্ৰাস পাবলৈ ধৰিছে। বিশেষকৈ চহৰ অঞ্চলত একক পৰিয়ালত বয়োজেষ্ঠ জনে সংগীৰ অভাব বাৰুকৈ উপলব্ধি কৰা দেখা যায়। গাওঁ অঞ্চলত একক পৰিয়ালত থাকিলেও ই-ঘৰ - সি-ঘৰলৈ যোৱা, নতুবা নাম প্ৰসংগ, সকাম, বিয়া বাৰুকে ধৰি বিভিন্ন অনুস্থানত বেছিকৈ জড়িত হৈ থাকি নিসংগতা আঁতৰাবলৈ সুবিধা পায়। কোনো কোনো ক্ষেত্ৰত লৰা - ছোৱালী চহৰ মুখী হৈ তেওঁলোকক পৃথিৱীৰ প্ৰথম পোহৰ দেখুওৱা, মুক্ত বতাহলৈ প্ৰথম বাৰৰ বাবে হাতত হাত ধৰি লৈ আহি পৃথিৱী খনৰ লগত চিনাকী কৰি দিয়া ব্যক্তি গৰাকীক পাহৰি পেলোৱা হয়। সময়ৰ নাটনি হৈ পৰে তেওঁৰ লগত একাত্ম হৈ দুআখাৰ কথা পাতিবলৈ। বৰ্তমানৰ সময়ৰ লগত খোজ মিলাই প্ৰতিটো কাম কৰিবলৈ লওতে ঘৰৰ জেষ্ঠ জনৰ লগত আলোচনা কৰা বা কিবা গুৰুত্ব পূৰ্ণ সিধান্ত লওতে তেখেতৰ অনুমতি লোৱা, পৰিয়ালৰ আন সদস্য সকলে কম কৈ গুৰুত্ব দিয়াকে ধৰি সৰু অথচ গাম্ভীৰ্য্য পূৰ্ণ ভুমিকা বোৰৰ পৰা যেতিয়াই তেওক আঁতৰাই ৰখা হয় তেতিয়াই তেখেতে নিসংগতা বোধ কৰে। এনেবোৰ মানসিক অসান্তিৰ বাবেই হয়তো বৃদ্ধাআশ্ৰমৰ উৎপত্তি হ'ল, যাতে জীৱনৰ শেষৰ দিনকেইটাত তিক্ততাৰ পৰা আতৰি লগ-সমনীয়াৰ সৈতে মনৰ শান্তিত জীৱনৰ অন্তিম দিনটো লৈ ফুৰ্তিৰে জীৱনটো অতিবাহিত কৰিব পাৰে। যিহেতু পৰিয়ালৰ সকলোবে বিভিন্ন কামত ব্যষ্ট হ'ব লগা হয় সেই হেতু অকলশৰীয়া হৈ পৰে বয়োজেষ্ঠ জন। পূৰ্বতে কৰা কামৰ পৰাও অবসৰ দিয়া হয়। গতিকে যিবোৰ কাম কৰা যায় তাৰ পৰা আঁতৰি আহিবলৈ আপোনা -আপুনি বাধ্য হব লগিয়া হৈ পৰা দেখা যায়। তেতিয়াই নিসংগ বোধ গম্য হয়। ঘৰ খনৰ পৰিয়ালৰ লগত অকল যে সময়ৰ অভাবে নিসংগ কৰে তেনে নহয়। তেওঁৰ লগত পৰিয়ালৰ লোকে কেনেকুৱা ব্যৱহাৰ কৰে সেই টোৰ ওপৰতো নিৰ্ভৰ কৰিব ব্যক্তি গৰাকীৰ জীৱনৰ বিয়লি বেলা। তেখেতৰ মনৰ কথা জানিবলৈ ইচ্ছা প্ৰকাশ কৰি তেখেতক বন্ধুত্ব পূৰ্ণ মৰমেৰে বান্ধি ৰাখিলে নিশ্চই তেখেতক নিসংগতাই আমনি কৰিব নোৱাৰিব। মুঠতে জেষ্ঠ জনৰ মৰম আদৰ লৈ তেওঁলোকৰ মনৰ অনুভৱ বুজি তেওঁক ফূৰ্তৰে ৰখাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য বুলি ভাবিলে তেওৰ বিয়লি বেলাত নিসংগতা আঁতৰি বৃদ্ধাআশ্ৰমৰ প্ৰয়োজনীয়াতা আহি নপৰিব।

# বাতৰি কাকত আৰু বিশ্বাস

**মিহিৰ মৌচুম ৰয়**



সৰহ সংখ্যকে সন্দেহ আৰু অবিশ্বাসেৰে প্ৰশ্ন কৰে- বাতৰি কাকতবোৰ আগলৈ থাকিবনে? ডিজিটেল, ইন্টাৰনেটৰ যুগত ছপা মাধ্যম জীয়াই থাকিবনে। প্ৰতিটো পুৱাতে এই যে আমি বয়স্ক লোকসকলে বাতৰি কাকত লৈ যাবলৈ ঢপলিয়াই আহো, আমি নাইকীয়া হৈ গলে আজিৰ প্ৰজন্মই এনেকৈ পঢ়িবলৈ বাতৰি কাকত লৈ যাবলৈ আহিবনে। আমাৰ বহুতৰে পুৱাৰ অভ্যাস, দুচকুৰ সন্মুখত বাতৰি কাকত আৰু ওঁঠত এপিয়লা চাহ লৈ বহা। পুৱাৰ এনে মধুৰ ক্ষণ গোটেই জীৱনত পাবলৈ নাই। এপিয়লা চাহৰ সৈতে পুৱাৰ চাহ পিয়লাৰ সম্পৰ্ক এদিনৰ নহয়। বাতৰি কাকতৰ জন্মৰ পৰাই চাহ খাই খাই বাতৰি কাকত পঢ়াটো বহুতৰে অভ্যাস আছিল চাগে! যেনেকৈ, চফল ডেকা হৈ থাকোতে আমি গ্ৰন্থমেলাৰ বাকৰিত ঘূৰি ঘূৰি ভাগৰি-জুগৰি হাতত তুলি লৈছিলো এপিয়লা ৰঙা চাহ আৰু পপকৰ্ণ এপেকেট। বহুতৰে ধাৰণা, কোৰোণাকালীন সময়ৰ পৰা অসমত বাতৰি কাকত পঢ়া মানুহৰ সংখ্যা হ্ৰাস পাইছে। আমাৰ জনা মতে, অসম আন্দোলনৰ সময়ৰ পৰা কাকত-আলোচনীৰ পয়োভৰ ঘটা ছপা মাধ্যমৰ ঢৌটো ২০১০ বৰ্ষৰ পৰাই মাৰ যাবলৈ আৰম্ভ কৰিছিল। কিয়নো, অসম আন্দোলনৰ সময়ৰ ভালেমান কাকত-আলোচনীৰ প্ৰকাশ এখন এখনকৈ বন্ধ হৈ অহা শুনিছিলোঁ। প্ৰকাশিত কাকত-আলোচনীৰ প্ৰকাশ বন্ধ হোৱাৰ বাতৰিয়ে আমাক বৰ ব্যথিত কৰে। ২০১১-২০১২ বৰ্ষৰ পৰা নিয়মীয়াকৈ প্ৰকাশ পাই অহা ভালেমান কাকত-আলোচনী কোৰোনা কালৰ পৰা একেবাৰে নাইকীয়া হৈ গল। কৈশোৰৰ পৰা বৃদ্ধ জনলৈকে জনপ্ৰিয় মাহেকীয়া আলোচনী বিস্ময় খনো হেৰাই গল। আমি ২০১৭ বৰ্ষৰ ডিচেম্বৰত সাহিত্য অকাডেমীৰ সাহিত্য অনুষ্ঠানৰ কবি সন্মিলনত অংশ গ্ৰহণ কৰিবলৈ কোচিলৈ যাওঁতে দেখিছিলো, তেতিয়াও তাত ময় ময় অৱস্থা। অথচ, তেতিয়াই অসমৰ মানুহে কাকত-আলোচনীৰ পৰা আঁতৰিবলৈ আৰম্ভ কৰি দিছিল। বাতৰি যিকোনো মাধ্যমৰ পৰা বুটলি লব পাৰি, কিন্তু বাতৰি কাকত-আলোচনীৰ অধ্যয়ণে নিৰ্ভুল শব্দ- বাক্যৰ স্থায়ী জ্ঞান দিয়ে। সেয়ে আমি ভাৱো, ছপা মাধ্যমৰ অন্যতম অৱদান কাকত-আলোচনী পঢ়া কামটো সকলোৱে জাতীয় দায়িত্ব হিচাৰে গ্ৰহণ কৰা উচিত।

# বতাহে হেনো গতি পথ সলালে

**গৌতম শৰ্মা**



ধুলিত বৈ আহিছে উশাহ,  
স্মৃতিৰ শুকান পথাৰত কোনে কি পালে,  
কি হেৰোৱালে।  
তুমি যে বৈ বৈ হাত বাওলি দিছিলা,  
কোনোবা কাষ চাপি আহিল,  
কোনোবাই উভতি নাচালে!  
কিছু মুখ স্মৃতিত ৰৈ গ'ল কিছু সময়ে পাহৰাই পেলালে ...  
মনত আবদ্ধ হৈ ৰৈ গ'ল বহু সপোন  
হুমনিয়াহ বোৰেও হুমনিয়াহ কাঢ়িলে  
বতাহে হেনো গতি পথ সলালে ।

# জীৱনৰ শান্ত- সমাহিত দৃষ্টি

**জ্যোতি খাটনিয়াৰ**



চুবুৰীয়া বাংলাদেশত শেহতীয়াকৈ সংঘটিত ব্যাপক হিংসাৰ ঘটনাৰাজিয়ে ভাৰতীয় উপমহাদেশৰ বহু হাজাৰ বছৰীয়া পৰিক্ৰমাৰ বিষয়ে আমাক পুনৰাই ভাবিবলৈ বাধ্য কৰিছে। কিয় ইমান নিষ্ঠুৰ হিংসা? কিয় এই ভয়ংকৰ বিদ্বেষ? সম্প্ৰতি বাংলাদেশৰ সংখ্যালঘু হিন্দু আৰু বৌদ্ধসকলক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে। মাত্ৰ কেইদিনমান আগেয়ে দেশখনৰ ক্ষমতাত থকা আৱামী লীগৰ শীৰ্ষ নেতাজনক জীৱন্তে জ্বলাই দিয়া হৈছে। প্ৰধানমন্ত্ৰীজনাই কেইটামান মূহূৰ্তৰ ভিতৰতে দেশ এৰি ভাৰতত আশ্ৰয় ল'বলগীয়া হৈছে। জ্বলাই দিয়া হৈছে ৰাজধানী চহৰ ঢাকাৰ হোটেলত থকা কেইবাজনো বিদেশী নাগৰিকক। অসমৰ গাতে লাগি থকা এই দেশখনত যেন শাসন বুলিবলৈ বিশেষ একো নাই। বংগবন্ধু শেখ মুজিবুৰ ৰহমানৰ প্ৰতিমূৰ্তি কেউফালে ভাঙি পেলোৱা হৈছে। আনকি দেশখনৰ পিতৃ স্বৰূপ মানুহজনাৰ জন্ম দিনটোও এতিয়াৰে পৰা দেশখনে উদযাপন নকৰে বুলি নোবেল বঁটা বিজয়ী মহম্মদ ইউনিছৰ চৰকাৰখনে স্পষ্ট কৰি দিছে। স্বাধীনতাৰ ৭৭ বছৰৰ পাছতো ভাৰত, পাকিস্তান আৰু পূব পাকিস্তানৰ এসময়ৰ অংশ বাংলাদেশ (১৯৭১ ত স্বাধীনতা লাভ) ৰ পৰিস্থিতি কিয় বেলেগ বেলেগ, সেয়া গভীৰভাৱে ভাবি চাবলগীয়া বিষয়। পাকিস্তান আৰু বাংলাদেশত কাৰ্য্যতঃ গণতন্ত্ৰ নাই। হিংসা, ঘৃণা, অসহিষ্ণুতা, নিষ্ঠুৰ আচৰণে এই অঞ্চলবোৰত ভালকৈয়ে খোপনি পুতি লৈছে। সাধাৰণ নাগৰিক ৰাষ্ট্ৰৰ দ্বাৰাই পৰিচালিত হিংসাৰ বলি হৈছে।

এই প্ৰসংগতেই স্বাধীন ভাৰতৰ দুবাৰকৈ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী হোৱা প্ৰফেছাৰ হুমায়ুন কবিৰৰ নাম মনলৈ আহে। প্ৰফেছাৰ কবিৰে তাহানিয়ে, ১৯৩৯ চনত, সেই সময়ৰ অবিভক্ত বংগদেশৰ পৰিস্থিতিৰ বিষয়ে ক'বলৈ গৈ প্ৰাদেশিকতা আৰু সাম্প্ৰদায়িকতা, ব্যক্তি আৰু দলগত বিদ্বেষ, সুস্থ দাৰ্শনিক চিন্তাৰ অভাৱ আৰু ঐতিহাসিক খেলিমেলি আদিলৈ আমাৰ মনোযোগ আকৰ্ষণ কৰিছিল। ইয়াৰ পৰা মুক্তিৰ উপায় হিচাপে তেওঁ চিন্তাৰ পৰিচ্ছন্নতা আৰু এক শান্ত সমাহিত দৃষ্টিৰ প্ৰয়োজন বুলি তাহানিয়ে মন্তব্য কৰিছিল। তেওঁ কৈছিল যে বংগদেশত চিন্তা আৰু আদৰ্শৰ ক্ষেত্ৰত অৰাজকতাই দেখা দিছে। ইয়াৰ পৰা উদ্ধাৰৰ বাবে তেওঁ ইমানুৱেল কাণ্টৰ দৰ্শন অধ্যয়ন কৰাটো প্ৰতিজন শিক্ষিত মানুহৰ কৰ্তব্য বুলি ভাবিছিল। এই ক্ষেত্ৰত তেওঁ আফিকাত সংঘটিত এংলো - বুৰেৰ যুদ্ধৰ কথা মনত পেলাই দিছিল। উল্লেখ্য যে এই যুদ্ধত উইনষ্টন চাৰ্চিল আৰু মহাত্মা গান্ধীয়ে বেলেগ বেলেগ ধৰণেৰে অংশগ্ৰহণ কৰিছিল বুৰেৰ যুদ্ধৰ বিদেশী পক্ষৰ নেতা দক্ষিণ আফ্ৰিকাৰ সামৰিক বিষয়া ফিল্ড মাৰ্শ্বেল জেন স্মাটছে (১৮৭০-১৯৫০) যুদ্ধত ভয়ংকৰ দাবানলৰ মাজতো নিতৌ নিশা ইমানুয়েল কাণ্টৰ দৰ্শন অধ্যয়ন কৰা কথাটো বিশেষভাৱে তেওঁ উল্লেখ কৰিছিল। প্ৰফেছাৰ কবিৰে কৈছিল যে যুদ্ধৰ উন্মাদনাত বুদ্ধিৰ সংযত সমাহিত দৃষ্টিৰ যিদৰে প্ৰয়োজন সেয়া কিন্তু সমানেই দুৰ্লভ। যুদ্ধত আমাৰ দৃষ্টি কেৱল বৰ্তমানৰ সৈতে জড়িত হৈ থাকে। আমি যুদ্ধত বাৰে বাৰে বিভ্ৰান্তিৰ চিকাৰ হও। আমাৰ বুদ্ধি স্থিৰ নাথাকে। আমি যুক্তিক হেৰুৱাই পেলাও। সেইবাবে সমৰ বিশাৰদ স্মাটছে ইমানুয়েল কাণ্টৰ গ্ৰন্থসমূহ অধ্যয়ন কৰি নিজৰ বুদ্ধিক স্থিৰ কৰিছিল। প্ৰফেছাৰ হুমায়ুন কবিৰৰ মতে সেইসময়ৰ বাংলাদেশৰ মানুহখিনিয়ে নিজৰ বিচাৰ বিবেচনাত স্থিৰতাক আনিব পৰা নাই। এই মানুহখিনিয়ে ভাৰতীয় চিন্তাৰ মূল আধাৰটোকেই পাহৰি পেলাইছে। বৰ্তমানৰ বাংলাদেশৰ পৰিস্থিতিয়ে যেন প্ৰফেছাৰ কবিৰৰ ১৯৩৯ ৰ সেই কথাখিনি পুনৰ প্ৰমাণ কৰিছে।

আধুনিক ভাৰতৰ সাংস্কৃতিক আৰু শিক্ষাৰ বাতাবৰণ আৰু পৰিসৰ সম্পৰ্কে পূৰ্ণাংগ ইতিহাস ৰচনা কৰিবলগীয়া হ'লে যিসকল ব্যক্তিৰ নাম থাকিব, তাৰ ভিতৰত প্ৰফেছাৰ হুমায়ুন কবিৰ অন্যতম। কলিকতা আৰু অক্সফোৰ্ড বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা লাভ কৰা কবিৰ আছিল অতি মেধাৱী ছাত্ৰ। দুয়োখন বিশ্ববিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাত তেওঁ শীৰ্ষ স্থান লাভ কৰিছিল। অক্সফোৰ্ডৰ একজিটাৰ কলেজত তেওঁ অধ্যয়ন কৰিছিল 'Three Modern Greats' য'ত আছিল অৰ্থনীতি, দৰ্শন আৰু ৰাজনীতি বিজ্ঞান। ভাৰতীয় ইতিহাস আৰু সংস্কৃতিৰ বিভিন্ন দিশ তেওঁ চালি জাৰি চাইছিল। ১৯৪৩ চনত বৰোদাত প্ৰদান কৰা মহাৰজা চায়াজী ৰাওৰ স্বৰ্ণ জয়ন্তী স্মাৰক বক্তৃতাত তেওঁ ভাৰতীয় সভ্যতাৰ কেইবাটাও সততে উত্থাপন নকৰা বিষয়লৈ শ্ৰোতা সমাজৰ মনোযোগ আকৰ্ষণ কৰিছিল। তাহানিৰ সিন্ধু উপত্যকাৰ মানুহখিনিয়ে ভাৰতীয় ধৰ্মীয় বিশ্বাসলৈ আগবঢ়োৱা তিনিটা অৱদানৰ কথা প্ৰফেছাৰ কবিৰে আমাক মনত পেলাই দিছে। এইকেইটা হ'ল ক্ৰমে দেৱীক মাতৃ ৰূপে কৰা কল্পনা, গো পূজা আৰু শিৱৰ উপাসনা। খ্ৰীষ্টপূৰ্ব ৩০০০ চনৰ মহেঞ্জোদাৰোৰ এই মানুহখিনি অধ্যাপক কবিৰৰ দৃষ্টিত আছিল শান্ত আৰু সৌম্য প্ৰকৃতিৰ। তেওঁলোকৰ জীৱন প্ৰণালীয়ে এক পৰিপক্কতা আৰু বিশিষ্টতা অৰ্জন কৰিছিল বুলি তেওঁ ভাবিছিল। এই মানুহখিনিৰ মনত দেখা দিয়া শান্ত - সৌম্য প্ৰকৃতি আজিলৈকে ভাৰতীয় মানুহৰ মাজত প্ৰবাহিত হৈ আছে বুলি প্ৰফেছাৰ কবিৰে মন্তব্য কৰিছে। আনহাতে বৌদ্ধ চিন্তাৰ যোগেদি সমাজত অন্যান্য ধৰ্মীয় মতামত থকা লোকসকলৰ সৈতে কেনেদৰে শান্তিৰে আৰু একেলগে থাকিব পাৰি, তাৰ পাঠ এই চিন্তাই ভাৰতীয় সকলক দি গৈছে বুলি এই বক্তৃতাত কোৱা হৈছে। উল্লেখ্য যে মহান সম্ৰাট অশোকৰ শিলালিপিত সম্ৰাট জনাই কিদৰে দেশত বিভিন্ন ধৰ্মীয় চিন্তাক ৰাষ্ট্ৰই সুৰক্ষা দিব, তাৰ পদ্ধতি আৰু আৰ্হি দুয়োটা তেওঁৰ চিৰদিনৰ বাবে খোদিত কৰি গৈছে। প্ৰফেছাৰ কবিৰৰ মতে আমাৰ অস্তিত্বৰ ৰহস্যক যুক্তিৰে বুজিব খোজা পৃথিৱীৰ প্ৰথমজনা মানুহেই হ'ল গৌতম বুদ্ধ।

আধুনিক ভাৰতৰ শিক্ষা পৰিক্ৰমাৰ এজন প্ৰধান নিৰ্মাতাৰূপে হুমায়ুন কবিৰৰ নাম সদায়ে মনত ৰখা হ'ব। তেওঁ শিক্ষাক জাতি আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ অংশ বুলি ভাবিছিল। বৈজ্ঞানিক দৃষ্টিৰ যোগেদি তেওঁ জাতিগঠন প্ৰক্ৰিয়া সম্ভৱ হ'ব বুলি ক'ব খুজিছিল। এই ক্ষেত্ৰত তেওঁ দিল্লী, ৱাশ্বিংটন, মস্কো (১৯৭৪) শীৰ্ষক গ্ৰন্থখনত মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু পূৰ্বৰ ছোভিয়েট সংঘ ভ্ৰমণ কৰি লাভ কৰা দেশ দুখনৰ শিক্ষা ব্যৱস্থাৰ এক গভীৰ অন্তৰ্দৃষ্টি সম্পন্ন আৰু দাৰ্শনিক বিচাৰ ধাৰাৰে ডাঙি ধৰা এক অধ্যয়ন আমাৰ বাবে এৰি থৈ গৈছে। প্ৰফেছাৰ কবিৰে এই ক্ষেত্ৰত লেনিনৰ এক মন্তব্যও শ্ৰদ্ধাসহকাৰে উল্লেখ কৰিছে। ৰুছ বিপ্লৱৰ প্ৰথম দিনাৰ পৰাই লেনিনে কৈছিল যে অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক পৰিবৰ্তন আহিবৰ বাবে প্ৰথমতে দৃষ্টিভংগীৰ পৰিবৰ্তন জৰুৰী। একমাত্ৰ শিক্ষাৰ জৰিয়তেহে দেশৰ নাগৰিকৰ দৃষ্টিভংগী সলনি কৰিব পৰা যায়। পুঁজিবাদৰ এক ভয়ংকৰ অগ্ৰাসন আৰু পৃথিৱীৰ কেউদিশে নতুন নতুন অভাৱনীয় পৰিবৰ্তনে আমাক জোঁকাৰি নিয়াৰ সময়ত হুমায়ুন কবিৰৰ এজন শিক্ষাবিদ হিচাপে লাভ কৰা উপলব্ধিখিনি আমাৰ বাবে বিশেষভাৱে প্ৰয়োজনীয়। উল্লেখ্য যে সম্প্ৰতি ভাৰতত গঢ় লৈ উঠা মুক্ত আৰু দূৰৱৰ্তী শিক্ষা সম্পৰ্কীয় ধাৰণাটোৰ (ODL) আৰম্ভণি কৰিছিল প্ৰফেছাৰ হুমায়ুন কবিৰে। তেওঁ এই প্ৰসংগত ৰাজ্য সভাত দিল্লী বিশ্ববিদ্যালয়ৰ Correspondence Course সম্পৰ্কে আগবঢ়োৱা মন্তব্য স্মৰণযোগ্য। প্ৰফেছাৰ কবিৰে তাহানিয়ে স্পষ্ট কৰি দিছিল যে গণতান্ত্ৰিক আদৰ্শৰ প্ৰেৰণা দেশে যি ধৰণেৰে গ্ৰহণ কৰিছে, সেয়া সফল হ'বলৈ হ'লে প্ৰতিজন নাগৰিকেই উন্নতিৰ সমান অৱকাশ আৰু সুযোগ পাব লাগিব। ইয়াৰ বাবে শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণক সুনিশ্চিত কৰা শিক্ষা মন্ত্ৰী ৰূপে তেওঁৰ প্ৰধান দায়িত্ব হব। (দ্ৰষ্টব্যঃ নয়া ভাৰতৰ শিক্ষা, Education in India, ১৯৬২)। এই কথাত সন্দেহ নাই যে ভাৰত, পাকিস্তান আৰু বাংলাদেশৰ ৰাজনৈতিক আৰু সামাজিক বাতাবৰণৰ মাজৰ পাৰ্থক্যৰ অন্যতম কাৰণ হ'ল আমাৰ দেশৰ শিক্ষা ব্যৱস্থাটো। ভাৰতীয় শিক্ষা ব্যৱস্থাই যোৱা ৭৭ বছৰেৰো অধিক কাল গণতান্ত্ৰিক প্ৰমূল্য, সহিষ্ণুতা, ধৰ্ম নিৰপেক্ষতা, ন্যায় পৰায়ণতা, দয়া আদিক নিজৰ অপৰিহাৰ্য্য অংগ কৰি ৰাখিছে।

ড° মহেন্দ্ৰ বৰাই তেওঁৰ আত্মজীৱনী 'উপলা নদীৰ দৰে' ত লিখি থৈ গৈছে প্ৰফেছাৰ কবিৰে ড° বিৰিঞ্চি কুমাৰ বৰুৱাক অসমীয়া ভাষাত বিশ্ব কোষ প্ৰস্তুত কৰিবলৈ তাহানি ৩ কোটি টকা তাৎক্ষণিক ভাৱে দিছিল। অসম চৰকাৰে অৱশ্যে এই টকা আনিবলৈ হেলা কৰিছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই হুমায়ুন কবিৰৰ পৰা অনা টকাৰে অসম প্ৰকাশন পৰিষদে বিশ্ব কোষৰ প্ৰথম খণ্ড প্ৰকাশ কৰি উলিয়াইছিল। অসমীয়া মানুহৰ বিশ্বকোষৰ প্ৰতি আগ্ৰহ আৰু তাক ৰূপায়ন কৰাৰ আঁৰৰ মানুহজনেই হ'ল প্ৰফেছাৰ হুমায়ুন কবিৰ। সম্প্ৰতি গুৱাহাটীৰ মালিগাওঁ নিবাসী নৱৈ বছৰৰ উৰ্দ্ধৰ অজিত বিশ্বাসৰ আমন্ত্ৰণ ক্ৰমে হুমায়ুন কবিৰে ৰবীন্দ্ৰ শতবাৰ্ষিকী বক্তৃতা প্ৰদান কৰিবলৈ গুৱাহাটীলৈ আহিছিল। অজিত বিশ্বাসে এনেকৈ কেন্দ্ৰীয় মন্ত্ৰী জনাক গুৱাহাটীলৈ আমন্ত্ৰণ কৰা কথাটোৱে সেই সময়ৰ জিলা উপায়ুক্ত গণেশ চন্দ্ৰ ফুকনক বিস্মিত কৰিছিল। গুৱাহাটীৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত সত্য কিংকৰ সেন আৰু অজিত বিশ্বাসৰ উদ্যোগত ৰবীন্দ্ৰ-পৰিষদে আয়োজন কৰা এই বক্তৃতাত হুমায়ুন কবিৰে শিক্ষাৰ পৰিসৰ আৰু উদ্দেশ্য সম্পৰ্কত বিস্তৃত ভাৱে উল্লেখ কৰিছিল। তেওঁ শিক্ষাৰ জৰিয়তে সামাজিক উন্নয়ন আৰু ৰবীন্দ্ৰনাথে কিদৰে জাতীয় উন্নতিৰ সৈতে অৰ্থনৈতিক উন্নতিক সংলগ্ন কৰিছে, তাক এই বক্তৃতাত বিৱৰি কৈছে। ইয়াৰ বাহিৰেও হুমায়ুন কবিৰে গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৬১ চনত Lessons of Indian History শীৰ্ষক এক গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰিছিল।

অক্সফোৰ্ড বিশ্ববিদ্যালয়ত পঢ়া দিনৰ পৰাই হুমায়ুন কবিৰ আছিল এজন অতি আগশাৰীৰ বক্তা আৰু তাৰ্কিক। তেওঁ অক্সফোৰ্ড ইউনিয়নৰ সম্পাদক আছিল আৰু ছাত্ৰ ৰূপে সেই সময়ৰ ব্ৰিটিছ চৰকাৰৰ ভাৰত সম্পৰ্কীয় নীতি তেওঁ স্পষ্টভাৱে সমালোচনা কৰিছিল (This House condemns the Indian Policy of His Majesty's Government.)। পৰৱৰ্তী সময়ত (৩ মাৰ্চ, ১৯৬৭) তেওঁক অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ অতি সন্মানীয় হাৰ্বাৰ্ট স্পেন্সাৰ বক্তৃতা দিবলৈ আমন্ত্ৰণ কৰিছিল।

আগলৈ...

অসম চৰকাৰ



ছাত্ৰী সবলীকৰণৰ দিশে এখোজ

# মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি

আগন্তুক তিনিটা বৰ্ষত এই আঁচনিৰ জৰিয়তে **১০ লাখ** শিক্ষাৰ্থীক সামৰি লোৱাৰ লক্ষ্য

ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰা ছাত্ৰীসকলৰ বাহিৰে উচ্চতৰ মাধ্যমিক, স্নাতক (বি এ/ বি এছ চি/ বি কম) আৰু স্নাতকোত্তৰ (এম এ/ এম এছ চি/ এম কম/ বি এড) প্ৰথম বৰ্ষত নামভৰ্তি কৰা চৰকাৰী আৰু ডেকাৰ শিক্ষানুষ্ঠানৰ ছাত্ৰীসকলক উপপনি যোগোৱা এক অভিলাষী আঁচনি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

**JANASANYOG- 1199/ 24/25-Aug-24**

## উদ্দেশ্যসমূহ

- উচ্চ শিক্ষাত কন্যা শিক্ষাৰ্থীৰ নামভৰ্তি বৃদ্ধি কৰা
- ৰাজ্যৰ অধিক সংখ্যক ছাত্ৰীৰ বাবে উচ্চ শিক্ষা লাভৰ বাট প্ৰশস্ত কৰা
- বাল্য বিবাহ ৰোধৰ ক্ষেত্ৰত অৰিহণা যোগোৱা

## সুবিধাসমূহ

- ধনী-দুখীয়া নিৰ্বিশেষে সকলো পৰিয়ালৰ কন্যাৰ বাবে উপলব্ধ
- একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ১,০০০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ১০,০০০ টকা।
- স্নাতক (বি এ/ বি এছ চি/ বি কম) প্ৰথম বৰ্ষত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ১,২৫০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ১২,৫০০ টকা।
- স্নাতকোত্তৰ (এম এ/ এম এছ চি/ এম কম/ বি এড) প্ৰথম বৰ্ষত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ২,৫০০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ২৫,০০০ টকা।

## নিযুত মইনা আঁচনি হৈছে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে গ্ৰহণ কৰা এক সৰ্বাংগীণ পদক্ষেপ

- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিত কৰা
- পছন্দ আৰু অৰ্থনৈতিক স্বাধীনতাৰ বাবে শিক্ষাৰ জৰিয়তে কন্যা শিক্ষাৰ্থীসকলক সবল কৰি তোলা
- শাৰীৰিক, মানসিক আৰু আৱেগিক পৰিপক্কতাৰ পাছতহে বিবাহ সম্পন্ন কৰা
- মহিলাৰ আনুষ্ঠানিক শিক্ষাৰ জৰিয়তে কিশোৰী অৱস্থাৰ মাতৃত্ব হ্ৰাস কৰা

## যোগ্যতাৰ চৰ্ত

- অসমত বাস কৰা সকলো কন্যা শিক্ষাৰ্থী এই আঁচনিৰ বাবে যোগ্য
- বিবাহিতা ছাত্ৰী (স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাহিৰে) আৰু চাকৰিয়াল বি এড শিক্ষাৰ্থীসকলৰ বাবে আঁচনিৰ সুবিধা উপলব্ধ নহ'ব
- মন্ত্ৰী, সাংসদ, বিধায়কৰ কন্যা এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব
- বাণীকান্ত কাকতি বঁটা (প্ৰজ্ঞান ভাৰতী আঁচনি)ৰ অধীনত স্কুটাৰ লাভ কৰা ছাত্ৰীসকল এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব। বাণীকান্ত কাকতি বঁটা পৰিহাৰ কৰা ছাত্ৰীৰ বাবেহে এই আঁচনি প্ৰযোজ্য হ'ব

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

যোৰাখণ্ডৰ পৰা...

# হৃদয়ৰ এৰাসুঁতিত প্ৰেমৰ গুণগুণনি

যুগান্ত দাস
ভৱানীপুৰ, বজালী



জীৱনৰ কাংক্ষিত ক্ষণটোৰে তাইক শিহৰিত কৰিব পৰা নাছিল ।পত্নীতো তাই হৈছিল কিন্তু প্ৰেমিকা হৈ সেইদিনা তাই জয়ন্তৰ ওচৰত ধৰা দিব পৰা নাছিল। আৰু আজি! আজি পাৰিছে জানো.... !

সাগৰিকাক সিদিনা লগ নোপোৱা হ'লেই ভাল আছিল। সিদিনা হঠাৎ বজাৰত তাই সাগৰিকাক লগ পাইছিল। দুয়োৰে হয়তো কল্পনাও কৰা নাছিল যে দুয়ো এনেকৈ হঠাৎ লগ পাই যাব। " হেই নীলা কি খবৰ"- হঠাৎ তাই কোনোবাই মতা শুনি ৰৈ গৈছিল আৰু পিছফালে মুখ ঘূৰাই তাই সাগৰিকাক দেখি আচৰিত হৈছিল ।" সাগৰিকা তই ইয়াত"- নীলাক্ষীয়ে উৎসাহেৰে সুধিছিল। " হয় মইয়ে কি খবৰ তোৰ"- সাগৰিকাই পুনৰ সুধিছিল। " কিমান দিনৰ মূৰত যে তোক লগ পাইছো" - নীলাক্ষীয়ে কৈছিল।" কিমান দিন নহয় বান্দৰী কিমান বছৰ বুলি ক' -" সাগৰিকাই কৈছিল। " "ব'ল কোনোবা এখন ৰেষ্টুৰেণ্টত বহি চাহ একোকাপ খাই কথা পাতো । চাহো খোৱা হ'ব কথা পতাও হ'ব ।স্কুলৰ পৰা বাহিৰে বাহিৰে আহিছো ।চাহ একাপ খাবলৈ বৰ মন গৈ আছে ।"- নীলাক্ষীয়ে ক'লে । সাগৰিকা আৰু নীলাক্ষীয়ে ইফালে সিফালে ডিঙি মেলি চাই ওচৰতে থকা ৰেষ্টুৰেণ্টখনলৈ খোজ দিলে । দুকাপ চাহ আৰু দুটা চিঙৰাৰ অৰ্ডাৰ দি দুয়ো ৰেষ্টুৰেণ্টখনৰ সোঁফালৰ চুক এটাত থকা টেবুলখন অধিকাৰ কৰি ল'লে ।

সাগৰিকাই সুধিলে -"বাৰু ক' এতিয়া তোৰ খবৰ ।ল'ৰা ছোৱালী কিমান ডাঙৰ হ'ল ।"

নীলাক্ষী- "ল'ৰা নাই । ছোৱালী দুজনী । ডাঙৰজনীৰ বাইশ বছৰ, সৰুজনীৰ বিশ ।"

সাগৰিকা- "বাঃ বৰ হিচাপী নেকি অ' তোৰ হাজবেণ্ড ।একেবাৰে গেপ মেণ্টেইন কৰি চলিছে ।"

নীলাক্ষী- "ধেৎ এইজনী। তোৰ কি অলপো লাজ কাজ নাই । কলেজত যেনেকৈ বান্ধৱী আছিলি এতিয়াও একেই আছ ।"

সাগৰিকা-"বাৰু এটা কথা ক'চোন। তোৰ বাৰু লাভ মেৰেজ নে এৰেঞ্জ মেৰেজ ।"

নীলাক্ষী- "না লাভ মেৰেজ না এৰেঞ্জ মেৰেজ।"

সাগৰিকা- "কি তেনেহ'লে। আপোনা আপুনি তপকি গলি নেকি দুয়ো দুয়োৰে ডিঙিত। বান্দৰী ভালকৈ বুজাই ক'।"

জয়ন্তই বিয়াৰ প্ৰস্তাৱলৈ ঘৰলৈ যোৱাৰ পৰা আৰম্ভ কৰি দুটাবছৰে সি তাইৰ কেনেকৈ মন জয় কৰি বিয়া পৰ্যন্ত আগুৱাই লৈ গ'ল সকলো কথা ভাঙি পাতি ক'লে। ইমান সময়ে দুয়োৰে চাহ চিঙৰা খোৱা শেষ হৈছিল । সাগৰিকাই আৰু একাপ একাপ চাহ অৰ্ডাৰ দিলে ।

নীলাক্ষীয়ে হাঁহি হাঁহি তাইক ক'লে--" মোৰখিনি ক'লো এতিয়া তোৰ ক' । বিয়া ক'ত হলি ? ল'ৰা ছোৱালী কেইটা তোৰ ? হাজবেণ্ড কেনেকুৱা।

তোৰ দৰেই নে গহীন গম্ভীৰ।"

সাগৰিকাই হাঁহি মাৰি উত্তৰ দিলে- "মোৰ দৰে একেবাৰেই নহয়। কথা খুব কম কয়। মোৰ দৰে চেলচেলাই নাথাকে অনবৰতে। ঘৰত মানুহজন আছে নে নাই গমেই নাপায়।"

নীলাক্ষী- "কলেজ এৰাৰ পৰা একো খবৰেই পোৱা নাই তোৰ । বিয়া পিছে ক'ত হলি আৰু ল'ৰা ছোৱালী কিমান ডাঙৰ হ'ল।"

-" ল'ৰা এটা। সোতৰ বছৰ। ছোৱালী নাই"- সাগৰিকাই ক'লে ।

নীলাক্ষী- "এটাতে সামৰি থলি যে আৰু এটা হ'ব দিব লাগিছিল । পিছৰটো কিজানি ছোৱালীয়ে হ'লহেতেন।"

সাগৰিকাই দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি ক'ব ধৰিলে- "মোৰ স্বামীক তইও চিনি পাৱ, নীলা! হয়তো তোৰ মনত নাই। আচলতে কি জান মোৰ বিয়া প্ৰকৃত বিয়া নহয় । যিজনক সকলোৰে মোৰ স্বামী বুলি জানে তেওঁ স্বামী নহয় দেৱতা। তইতো জানই কলেজত পঢ়াৰ পৰাই ত্ৰিদিপ আৰু মোৰ মাজত প্ৰেম আছিল। ইজনে সিজনক খুব ভাল পাইছিলো ।দুয়ো বহু দূৰ আগবাঢ়ি গৈছিলো । এদিন মই গৰ্ভত তাৰ সন্তান ধাৰণ কৰিছিলো। কথাটো যেতিয়া তাক ক'লো সি মোকহে দোষ দিলে। মই বোলে তাৰ উপৰিও আনৰ লগতো সম্পৰ্ক ৰাখিছো। সেই সন্তান হেনো তাৰ নহয়। সেই সময়ত মোৰ ওচৰত একো উপায় নাইকিয়া হৈ পৰিছিল । কথাটো যেতিয়া ঘৰত গম পালে সকলোৰে মোকেই দোষ দিলে। ঘৰৰ সকলোৰে পৰামৰ্শ দিলে সন্তানটো নষ্ট কৰিবলৈ । নষ্ট কৰিবলৈ ডাক্তৰৰ ওচৰলৈও গৈছিলো । কিন্তু তেতিয়ালৈ বহু দেৰি হৈ গৈছিল । কি কৰিম কি নকৰিম একো ভাবি পোৱা নাছিলো । প্ৰতি পলতে মা দেউতাই মোক কথা শুনাই ব্যতিব্যস্ত কৰি তুলিছিল । মূৰে কাম নকৰা হৈছিল। আৰু এদিন হঠাৎ অম্লানক লগ পাইছিলো। অম্লানক সকলো কথা কোৱাত সি মোক আচৰিত কৰি বিয়া কৰোৱাৰ প্ৰস্তাৱ দিছিল। মই নিজৰ কাণ দুখনকে বিশ্বাস কৰিব পৰা নাছিলো। তাক মই কৈছিলো- "অম্লান তুমি কি কৈছা গম পোৱা নে। মই আন এজন পুৰুষৰ সন্তানৰ মাক হ'ব ওলাইছো যি মোক প্ৰতাৰণা কৰি আঁতৰি গৈছে।" তেতিয়া সি মোক কৈছিল- "চোৱা সাগৰিকা মোক ঘৰৰ পৰা বৰকৈ জোৰ কৰি আছে বিয়া পাতিবলৈ। কিন্তু মোৰ বিয়া পতাৰ মুঠেই ইচ্ছা নাই। তুমিতো জানাই কলেজত পঢ়ি থাকোতে কাৰোবাক হৃদয়েৰে ভাল পাইছিলো । কিন্তু কোনো দিনে মুখ ফুটাই ক'ব নোৱাৰিলো । কিন্তু সেই নাৰীয়ে আজিও মোৰ সমস্ত হৃদয় আগুৰি আছে । মোৰ হৃদয়ত আন নাৰীক স্থান দিয়াটো মোৰ পক্ষে সম্ভৱ নহয় ।গতিকে যদি আপত্তি নকৰা তেনেহ'লে সমাজৰ দৃষ্টিত মই তোমাৰ স্বামীৰ পৰিচয় ল'বলৈ সাজু আছো ।তুমি কথাটো ভাবি চাবা। কাৰণ এইখন সমাজত কলংকৰ বোজা কঢ়িয়াই জীয়াই থকা সহজ নহয়। বৰ্তমান সময়ত দুয়োকে সহায়ৰ প্ৰয়োজন। গতিকে ইজনে সিজনক সহায় কৰাত ক্ষতিতো একো নাই ।বৰং তোমাৰ আৰু তোমাৰ ঘৰৰ সন্মানো বৰ্তি থাকিব । তুমি এটা কথাত নিশ্চিন্ত থাকিব পৰা যে তোমাক পত্নীৰ মৰ্যদা দিলেও কোনো দিনে সেই অধিকাৰ তোমাৰ ওপৰত নখটুৱাও।" কেইবাদিনো অম্লানৰ কথাখিনি চিন্তা কৰি এদিন ৰাজী হৈছিলোঁ । আৰু আজি সোতৰ বছৰে অম্লানৰ পত্নী হৈ পাৰ কৰিলোঁ । এই সোতৰটা বছৰত এদিনো অম্লানে মোৰ শৰীৰ বিচৰা নাই । বৰ সযতনে ৰাখিছে মোক। হয়তো মই বিয়া হৈ যাক স্বামী হিচাপে পালোহেতেন তেওঁৰো কিজানি ইমান কেয়াৰ নকৰিলেহেঁতেন। কথাখিনি কৈ সাগৰিকা ৰৈ গৈছিল । একেলেঠাৰিয়ে ইমান সোপা কথা কৈ হয়তো তাইৰ ভাগৰ লাগিছিল ।

নীলাক্ষী- "বৰ আচৰিত।"

সাগৰিকা- "আটাইতকৈ ডাঙৰ কথা কি জান? মোৰ অম্লানৰ প্ৰতি প্ৰেম হৈছে । কিন্তু তাক মই খুলি ক'ব নোৱাৰো । হেৰুওৱাৰ ভয় নাই কিন্তু একান্তই নিজৰ কৰি নোপোৱাৰ দুখ এটা আছে । নীলাক্ষী তাতোকৈও আচৰিত কথাটো কি জান? অম্লানে ভালপোৱা সেই ছোৱালীজনী তই, নীলাক্ষী!"

নীলাক্ষী হতবাক হৈ পৰিছিল। ছায়াছবিৰ দৰে কিছুমান মুহূৰ্ত তাইৰ চকুৰ সমুখেৰে বাগৰি গৈছিল। তাত অম্লানৰ মুখৰ ছবিখনো ভাস্বৰ হৈ জিলিকি আছিল। অথচ তাই সেই ছবিখন বুজিবলৈ কোনোদিনে চেষ্টাই নকৰিলে।

সেইদিনা নীলাক্ষীয়ে সাগৰিকাৰ পৰা বিদায় লৈ আহিলেও নিজৰ ওচৰতে তাই সহজ হ'ব পৰা নাই। কোনোবাই কাৰোবাক এনেকৈও ভাল পাব পাৰে নে? কোনোদিনে প্ৰকাশ নকৰিলে, অথচ চিৰদিনলৈ বুকুত কঢ়িয়াই লৈ ফুৰিছে! অম্লানে যদি তাইক ইমানেই ভাল পাইছিল তেনেহ'লে এবাৰো কিয় তাইক নজনালে । অম্লানে এয়া বৰ অন্যায় কৰিছে ।আনফালে জয়ন্ত যি তাইক পাবলৈ বলিয়ালি কৰি ফুৰিছিল। যাৰ বলিয়ালিবোৰ দেখি এদিন বিয়া হ'ম বুলি কথা দিছিল তাই। তাইক সঁচাই ভাল পাইছিল নে জয়ন্তই । যদি ভালপোৱাত স্বাৰ্থ লুকাই নাথাকে তেনেহ'লে অম্লানহে তাইৰ সঁচা প্ৰেমিক । অম্লানে নিঃস্বাৰ্থ ভাৱে তাইক ভাল পাইছিল, ভালপায় ।তাই মনতে থিৰ কৰিলে তাই এদিন অম্লানক লগ কৰিব। বুকুৰ ভিতৰত সঞ্চিত হৈ থকা কথাবোৰ তাৰ আগত খুলি ক'ব ।তাই বিচাৰি নোপোৱা প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি তাই এদিন অম্লানক লগ কৰিব ।আজি তাই এটা কথাত উপনীত হৈছে সেয়া হ'ল জয়ন্তৰ প্ৰতি তাইৰ প্ৰেম নাই। জয়ন্ত আৰু তাইৰ মাজত যি আছে সেয়া বুজাবুজি, এখন চুক্তিৰ দুটা পক্ষ তাই আৰু জয়ন্ত । ক্ৰমাৎ পশ্চিমলৈ বাট বুলা বেলিটোলৈ চাই নীলাক্ষী এটা প্ৰস্তৰ মূৰ্তিৰ দৰে ঠিয় হৈ ৰ'ল।

অণুগল্প

## অপত্যস্নেহ

পৰিস্মিতা বৰা হাজৰিকা, মাজুলী



বহুদিনেই হ'ল সিহতি ভালকৈ এসাজ খাবলৈ নোপোৱা। গাভাৰী মানুহজনীৰ বৰকৈ মাংসৰ জোল অকন খাবলৈ মন গৈ আছিল যদিও সিহে পইচাৰ অভাৱত আনিব পৰা নাছিল । মন থাকিলেও জোৱাই মাৰিব নোৱাৰে সি। যেনে তেনে জোৰা টাপলি মাৰি পাচঁ জনীয়া পৰিয়ালটো পোহপাল দিছে সি।

আজি যেনে তেনে মাংস এপোৱা আনিছে সি । মৈদাখনেৰে সৰু সৰুকৈ টুকিৰা কৰিছে তাই। লগতে সৰহকৈ অমিতা আৰু আলু দুটুকুৰামান দি সোৱাদ লগাকৈ ৰান্ধিলে। শাহু শহুৰৰ লগতে ননদ আৰু গিৰিয়েককো খাবলৈ দি তাই নিজলৈ অলপ লাহে লাগে ভাত কেইটা বাঢ়িলে। মাংসৰ কেৰাহীখন চুচি চুচি জোলকন লৈ তাই পিৰাখন পাৰি ভাতৰ পাতত বহোঁতে গিৰিয়েকে তাইলৈ লুকুৱাই থোৱা মাংস বাটিটো আনি তাইৰ সন্মুখত দিওতে তাই চকুযোৰ সেমেকি উঠিল। জোৰেৰে ওলাই আহিব খোজা চকুৰ পানীখিনি বাধা দি এটা মিচিকিয়া হাহি মাৰিলে তালৈ চাওঁ যত সি দিনটোৰ সমষ্ট দুখ কষ্টবোৰ পাহৰি গ'ল।

# নদী-দ্বীপত এনিশা

অঞ্জু শাণ্ডিল্য



২০১৫ চনৰ ১২ ডিচেম্বৰ, দুপৰীয়া যোৰহাটৰ পৰা নিমাতীঘাটলৈ ভাইটি মনোজে নয়ন আৰু আমাক গাড়ীৰে লৈ গৈছিল। আবেলি তিনি বজাত আমাক ফেৰীত উঠাই দি সি ঘূৰি আহিল। প্ৰথমবাৰৰ বাবে ফেৰীত উঠি আমাৰ মন ৰোমাঞ্চিত হৈ পৰিল। ফেৰীৰ খিৰিকীৰে বিশাল লুইতখনলৈ চাই ৰ'লো। বাৰিষাৰ ফেনে-ফোটোকাৰে বোৱা বৰলুইতখন শান্ত-সমাহিত ৰূপত ধীৰে ধীৰে বৈ আছে। খিৰিকীৰে সোমাই অহা ফেৰ্‌ফেৰীয়া চেঁচা বতাহজাকে আঘোণমহীয়া শীতত হাড় কঁপাই তুলিলে। অভাৰকোটৰ কলাৰ ডিঙিলৈকে উঠাই ল'লো। ঠাণ্ডা লাগিলেও খিৰিকীখন বন্ধ কৰিবলৈ মন নগ'ল। অন্তহীন দুয়োপাৰৰ সৌন্দৰ্য চাই চাই মুগ্ধ হৈ পৰিলোঁ। সেইদিনা আকাশ গোমা আছিল। বেলিটোৰ দেখাদেখিয়েই নাই। জাৰকালিৰ আবেলি, সন্ধিয়া লাগিবৰে হ'ল। সেয়ে 'সন্ধিয়া লুইতৰ পানী সোণোৱালী'- এই দৃশ্য দেখাৰ সৌভাগ্য নঘটিল। তথাপি পানীৰ মাজে মাজে ওলাই থকা বালিচৰ, কাষৰ সেউজীয়া সৌন্দৰ্য চাই মন ভৰি পৰিল। কাষতে কোনোবা এজন বহা যেন লাগিল। ঘূৰি চাই দেখিলো, দীপ গোস্বামী, চিনাকি এজনক সহযাত্ৰীৰূপে পাই ভাল লাগিল। কেতিয়ানো ফেৰীখন আহি কমলাবাৰী ঘাটত লাগিলহি গমেই নাপালো। ঘাটত নামি পুণ্যভূমি মাজুলীৰ বালি সভক্তিৰে স্পৰ্শ কৰিলো। দীপ গোস্বামীৰ ঘৰৰ পৰা গাড়ী এখন আহি বৈ আছিল, তেওঁক লৈ যাবলৈ। আমাকো লগতে যাবলৈ কোৱাত ক'লো যে আমাক নিবলৈ আন এখন গাড়ী আহি আছে। আচলতে ২০১৫ চনৰ ১৩ ডিচেম্বৰত 'সদৌ অসম বহুমুখী অসমীয়া জ্ঞান-মালিনী সমিতি'য়ে ২০০৪ চনৰ ১৫ আগষ্টত, ধেমাজিৰ স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰা শিশুসকলে বোমা বিস্ফোৰণত যি কৰুণ মৃত্যুক সাবটি ল'লে, সেইসকল শিশুৰ স্মৃতিত আয়োজন কৰিছিল এক অনুষ্ঠান। আয়োজক সমিতিৰ উদ্যোক্তাসকলে ১৩ ডিচেম্বৰৰ পুৱা সংগঠনৰ পতাকা উত্তোলন কৰিবলৈ আমাক নিমন্ত্ৰণ কৰাত আমি মাজুলীলৈ যাত্ৰা কৰিছিলো। আয়োজক সমিতিয়ে পঠিওৱা গাড়ীখন আহিছিল। ড্ৰাইভাৰজন আগবাঢ়ি আহি আমি বাধা দিয়া সত্বেও আমাৰ টালি-টোপোলা গাড়ীত তুলি দি সহায় কৰিলে। বালিময় বাটেৰে তীব্ৰগতিৰে গাড়ীখন আগবাঢ়িল। ড্ৰাইভাৰজনে ক'লে যে আন্ধাৰ হোৱাৰ আগতেই লুইতৰ বালিচাপৰি পাৰ হৈ পকী আলিবাটত উঠিব পাৰিলে ভাল। কাৰণ এই অঞ্চলত বনৰীয়া হাতীৰ জাক ঘূৰি ফুৰে। গাড়ীৰ তীব্ৰ জোকাৰণিত শিহৰিত হৈ চাৰিওফালে চাই গ'লো, ক'ৰবাত বন্যহস্তীৰ জাক দেখো নেকি। বন্যহস্তীৰ বিচৰণভূমি পাৰ হৈ পকী ৰাস্তাত গাড়ী উঠালৈ আন্ধাৰ নামি আহিল। কিছুদূৰ আগবঢ়াৰ পাচত মনোজে ফোন কৰি সুধিলে, আমি কোন ঠাই পালোহি। ঠাই টুকুৰাৰ নাম কি, ক'বলৈ থত্‌মত্‌ খাওঁতে ড্ৰাইভাৰজনে ক'লে, 'দৰিয়া দলং পালোহি বুলি কওক।'

আন্ধাৰত দৰিয়া নৈখন মণিব নোৱাৰিলো। গাড়ীৰ হেডলাইটৰ পোহৰত দলংখন দেখিলো। আমাৰ কাণত বাজি উঠিল মিচিং ঐনিতমৰ আৰহ সংগীতসমৃদ্ধ জুবিন গাৰ্গৰ সেই জনপ্ৰিয় গীত- 'মাজুলীৰ এজনী ছোৱালীয়ে দুখ পালে...।' সংগীতৰ আমেজত ডুব গৈ গৈ গাড়ীৰ আসনত মূৰ থৈ বাহিৰলৈ চাই গ'লো। নাই, আন্ধাৰত একোকে নেদেখি। ফুলনিৰ পৰা দীপাংকৰে ফোন কৰিছিল-

ঃ বাইদেউ, এতিয়া কোনখিনি পাইছেহি?

ঃ আন্ধাৰত একো ধৰিব পৰা নাই, তাতে বাট-পথো চিনি নাপাওঁ...

আকৌ ড্ৰাইভাৰজনে ক'লে, ফুলনি চাৰিআলি পাওঁ পাওঁ হৈছে বুলি। গাড়ী আহি ফুলনি চাৰিআলিত ৰৈছিল। দীপাংকৰ ৰৈ আছিল। ফুলনি হাইস্কুলৰ শিক্ষক গণেশ শইকীয়াৰ ঘৰত থৈ দীপাংকৰ গুচি গ'ল। আমাৰ থকাৰ ব্যৱস্থা এখন ল'জত কৰা হৈছিল যদিও কোনো মহিলা অতিথি নথকা বাবে গণেশ শইকীয়াৰ ঘৰতে নিশা কটোৱাৰ সিদ্ধান্ত লোৱা হ'ল। কোনোদিনে নহা এখন ঠাইৰ এঘৰ অচিনাকি মানুহৰ ঘৰত সন্ধিয়াৰ পাচত সোমাই প্ৰথমে কিছু অপ্ৰস্তুত হৈছিলো; কিন্তু মানুহঘৰৰ নিভাঁজ মৰম, আন্তৰিক আতিথ্য, সহজ-সৰল ব্যৱহাৰত আমাৰ অনুভৱ নহ'ল যে আমি এঘৰ অচিনাকি মানুহৰ ঘৰত আছো। চাহ খোৱাৰ পাচত একেবাৰে জুহালৰ জুইকুৰাৰ কাষত বহুৱালে। জুহালৰ জুইৰ উম লৈ শইকীয়াৰ পৰিবাৰে আমাৰ কাষতে বহি পাচলি কুটি কুটি কথা পতাত লাগিল। ৰাতি ধোঁৱা বলি থকা বাও চাউলৰ ভাত, মচুৰ দাইল, কণীভজা আৰু ওলকবি-আলুৰ ভাজিৰে খোৱা ভাতসাঁজৰ সোৱাদ আজিও মুখত লাগি আছে। ৰাতি শুবলৈ মূল শোৱনিকোঠাটো আমাক দিছিল। আলহী কোঠাত শুবলৈ নিদি গৃহস্থৰ নিজৰ শোৱাকোঠা আলহীক দিয়াত আমি আচৰিত হৈছিলো। আলহীয়ে যাতে একো অসুবিধা নাপায়, সেই ভাবিয়েই চাগৈ' শইকীয়া দম্পতীয়ে নিজৰ শোৱনিকোঠা আমাক এৰি দিছিল। কিমান অতিথিপৰায়ণ!

ৰাতিটো আগ-বাঢ়িছিল। নিজৰ বিছনাখনত যিমান শান্তিৰে এঘুমটি মাৰিব পাৰি, লোকৰ বিছনাত সোনকালে চকু জাপ নাখায়। আমাৰো সেইটোৱেই হ'ল। নিটাল-নিস্তব্ধ ৰাতি, বেৰখনৰ কাষতে যেন কোনোবাই ফুচফুচাই কথা পাতিছে। কাণ থিয় কৰিলো; কিন্তু মানুহৰ মাত নহয়। কিহৰ মাত? কোঠাটোত কম পোহৰৰ বাল্ব এটা জ্বলি আছিল। মই নয়নলৈ চালো, সিও মোলৈ চাই আছে। ইংগিতেৰে মোক সুধিলে, কিহৰ মাত? ময়ো ইংগিতেৰে ক'লো, ধৰিব পৰা নাই। ভয়-চিন্তাত বুকুখন দুৰু দুৰুকৈ কঁপিল। হঠাতে বেৰখনত চৰাইৰ ডেউকাৰ ধপ্‌ধপনি শুনিলো। তেতিয়াহে ধৰিব পাৰিলো, সেয়া পাৰ চৰাইৰ মাত। তাৰ পাচত কেতিয়া টোপনি আহিল গমেই নাপালো।

পুৱা পাৰৰ ৰণত সাৰ পালো। নিয়ৰ সেমেকা চোতাল-ঘৰ সাৰি-মচি শ্ৰীমতী শইকীয়াই তিতা তিয়নীৰে ভিতৰ সোমোৱা দেখি ভাব হ'ল, 'এয়াই গাঁৱৰ লখিমী বোৱাৰী।' আমি গা-ধুই অহালৈ শ্ৰীমতী শইকীয়াই পুৱাৰ চাহ-জলপান সাজু কৰিলেই। ডাইনিং টেবুলত বহি চাহ-জলপান খাবলৈ লওঁতে খিৰিকীৰে ফুলনি হাইস্কুলৰ খেলপথাৰখন চকুত পৰিল। দীপাংকৰহঁতে কিবাকিবি কৰি আছে। শ্ৰীমতী শইকীয়াই ক'লে- 'আপুনি খাই লওক। ল'ৰাহঁতে আপোনাক মাতিবহি।'

ফুলেশ্বৰী থান, আহোম স্বৰ্গদেউ শিৱসিংহৰ পত্নী বৰৰজা ফুলেশ্বৰীয়ে মাজুলীত নিৰ্মাণ কৰোৱা থান। থানত পূজা-সেৱাৰ বাবে ওচৰতে এখন ফুলনিবাৰী স্বৰ্গদেৱে পাতিছিল। পাচলৈ সমগ্ৰ অঞ্চলটো ফুলনি নামেৰে প্ৰখ্যাত হৈ পৰে। ফুলনি

(বাৰপৃষ্ঠাত চাওক)




**ৰশ্মি গগৈ**

১

পৰিশ্ৰমে হে জীৱনত উন্নতি আনে
এই কথাষাৰ সকলোৰে বুজে জানে
কিন্তু জানিও নজনা
বুজি পালেও অজানা
সেয়েহে জীৱনলৈ বিপদ টানি আনে।

২

শিক্ষাই জীৱনটো গঢ়াৰ মূল ভেটি
তাকে নুবুজি জীৱনত খায় উজুটি
মনটো যদি নাবান্ধে
দুখ পাব ৰন্ধ্ৰে ৰন্ধ্ৰে
সেইয়ে চিন্তা কৰি গঢ়া জীৱন ভেটি।

**ৰাজুমণি বৰা, গুৱাহাটী**

১

শাওনৰ পথাৰত ৰংমিলিহঁতে
হাতত কঠিয়ালৈ কিমান কথা পাতে
শাওনৰ বৰষুণ
পৰি থাকে ৰুণঝুণ
ৰংমনে ৰঙিলিক ৰিঙিয়াই মাতে

২

আহা, আহা সখীহঁত ব্লকলৈকে যাওঁ
অমৃত বৃক্ষ পুলিৰে ধৰণী সজাওঁ
পুলিয়ে ডাঙৰ হ'ব
ছাঁ দিব, বতাহ দিব
সবে মিলি সেউজকৈ পৃথিৱী সজাওঁ



**বিভা মহন্ত, নগাঁও**

১

শাওন মাহত 'ন ভুঁই' ৰুৱলৈ গলোঁ
পথাৰত আম, জাম, কল, টিহু খালোঁ
পেটত লাগিল ভোক
ভৰিত লাগিল জোক
ভয়তে চিঞৰি মই বোকাত পৰিলোঁ ।

২

শাওনৰ পাছতেই ভাদ মাহ হব
হৰি নামত নামঘৰ শুৱনি হব
গোপিনীয়ে লব নাম
প্ৰসাদ দিলেহে খাম
কালৰীয়ে প্ৰসাদৰ লোভতহে যাব ।

# দানবৰ যৌন লালসা

কোনোবা নহয় কোনোবা প্ৰান্তৰ পৰা অহা 'ধৰ্ষণ'ৰ বাতৰি সমূহে খবৰ কাগজ, T.V চেনেল সমূহৰ শিৰোনামা দখল কৰাৰ লগতে চচিয়েল মেডিয়াতো তীব্ৰ প্ৰতিবাদৰ উন্মেষ ঘটাইছে। তাৰ মাজতে এচামে অপৰাধী, ধৰ্ষণকাৰীৰ জাতি, ধৰ্ম লৈ বিভিন্ন ধৰনৰ টিপ্পনিও কৰা দেখা গৈছে, বোকা ছটিওৱাৰ যেন এক অঘোষিত প্ৰতিযোগীতাহে আৰম্ভ হৈছে। সভ্য সমাজৰ ভদ্ৰতাৰ মুখা পিন্ধা কিছুমান অভদ্ৰ, দানব, পিশাচৰ কৰ্ম- কাণ্ডই সচাঁ অৰ্থত মানুহ হিচাপে জন্ম লৈ জীৱন নিৰ্বাহ কৰা সকলক লজ্জানত কৰি ইতঁৰ প্ৰাণীৰ আগত শিৰনত কৰিবলৈ বাধ্য কৰি তুলিছে। সেই চাম দানব, নৰপিশাচ বোৰৰ বাবে আজি যেন অকল এটা নাৰী দেহেই কাম্য। সেই চামৰ লুলুপ দৃষ্টিয়ে অনবৰতে এটা নাৰীদেহ বিচাৰি ফুৰে যাৰ লগত মন, মগজুত পুহি ৰখা বিকৃত যৌন কামনা চৰিত্ৰাৰ্থ কৰিব পাৰে। এই শ্ৰেণীৰ লোক সকল মাথো মাত্ৰ মাথো সমাজৰ লেতেৰা আবৰ্জনা, পৃথিবীৰ বোজাৰ বাহিৰে আন একোৱেই নহয়। সেইচামৰ মন, মগজু ইতিমধ্যে তেওঁলোকৰ নিয়ন্ত্ৰণৰ বাহিৰত। বিশ্বাস, মানবতা, মৰম-ভালপোৱা, সম্বন্ধ আছি শব্দবোৰৰ অৰ্থ বুজাত সেই সকল তেনেই অপাৰগ। মাথো মন -মগজু লিপ্ত অনবৰতে বিকৃত যৌন লালসা চৰিত্ৰাৰ্থ কৰাৰ কুট-কৌশল ৰতাত।

এখন সমাজৰ, দেশৰ আৰ্বজনা স্বৰূপ এই 'ধৰ্ষণ' কাৰীৰ সৃষ্টিত বিভিন্ন কাৰকে ক্ৰিয়া কৰে। বৰ্তমান সময়ত আমাৰ জীৱনৰ অবিচ্ছেদ্য অংগ স্বৰূপ মবাইল ফোনটোত অতি সহজেই উপলব্ধ বিভিন্ন 'পৰ্ণ চাইট' সমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে ধৰ্ষণকাৰী, যৌন নিৰ্যাতন কাৰীৰ সৃষ্টিত। তাৰ লগতে সূক্ষ্ম ভাবে নিৰীক্ষণ কৰিলে খোৱা বোৱাৰ ৰুচিবোধ, ৰেহ-ৰূপ, চাল-চলন, পিন্ধাওৱাইৰেও ধৰ্ষণকাৰীৰ সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

এতিয়া মূল কথা হ'ল এই মাৰাত্মক সামাজিক ব্যাধি বিধৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায়। আমি যেতিয়া লৈকে নিজৰ মন মগজুৰ ওপৰত নিয়ন্ত্ৰণ কৰিব নোৱাৰো, বিভিন্ন ধৰণৰ অপৰাধ, ধৰ্ষণৰ দৰে খবৰে শিৰোনামা দখল কৰিয়েই থাকিব। আন দহজনী মৌমিতা দেৱনাথ, নিৰ্ভয়াই অবাঞ্চিত, অমানুষিক মৃত্যুক আকোৱালি লৈয়েই থাকিব নাইবা ধৰ্ষিতা গৰাকীয়ে তেওঁৰ ওপৰত ঘটা পাশবিক অত্যাচাৰৰ ওৰে জীৱন সাক্ষী হৈ ৰ'ব। আমি আমাৰ মন-মগজুক নিয়ন্ত্ৰণ কৰাৰ লগতে আমাৰ ভৱিষ্যত প্ৰজন্মকো সুস্থ-সবল মানসিকতাৰে জীৱন নামৰ যুদ্ধ খনত জয়ী হ'বৰ বাবে সঠিক পথ প্ৰদৰ্শকৰ ভূমিকা নিখুঁত ভাবে পালন কৰিবই লাগিব। নিৰ্দয় অপৰাধী বোৰক সমূলঞ্চে নিৰ্মূল কৰিবলৈ চৰকাৰ খনেও অতি শীঘ্ৰে কঠোৰ পদক্ষেপ লোৱাতো খুবেই বাঞ্চনীয়।

যিদিনাখনেই এগৰাকী অতি সুন্দৰী, নগ্ন নাৰীদেহ আমাৰ চকুৰ সন্মুখত দেখিও সকলো ধৰণৰ বিকৃত মানসিকতাক নিজৰ নিয়ন্ত্ৰণত ৰাখি সেই নগ্ন নাৰীদেহটো এখন কাপোৰেৰে ঢাকি দিয়াৰ মানসিকতা গঢ় লৈ নুঠিব, ধৰ্ষণৰ দৰে ব্যাধি নিৰ্মূল কৰা অসম্ভৱ।

আহকচোন সকলোৱে হাতে হাত ধৰি এই ব্যাধি মষিমূৰ কৰো, প্ৰত্যেক গৰাকী নাৰীকে এখন সুস্থ-সবল, সৰ্বত্ৰে নিৰাপদ, সৰ্বাঙ্গীন-সুন্দৰ পৃথিবী উপহাৰ দিও, মাৰ বান্ধি থিয় দিও প্ৰত্যেকটো অপৰাধ তথা অপৰাধীৰ বিপক্ষে। ইয়াৰ ওপৰিও কোনেও যাতে যি কোনো কাৰণেই নহওঁক কিয় অপৰাধীক যাতে ৰক্ষণাবেক্ষণ নিদিয়ে তাৰপ্ৰতিও সবল জনমত গঢ়ি তুলিব লাগিব।

# ক্ৰিকেটৰ পৰা অৱসৰ

পাইছিলোঁ। এটা প্ৰবাদ আছে যে আপুনি গোটেই কাহিনী এটা পঢ়িবলৈ হ'লে পৃষ্ঠাবোৰ লুটিয়াব লাগিব। মই সেইটোৱেই কৰিম। মই আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছোঁ।' শিখৰ ধাৱনে লগতে কয়- 'যিহেতু মই মোৰ কেৰিয়াৰক বিদায় জনাবলৈ আগবাঢ়িছোঁ, সেয়ে মই শান্ত। কাৰণ মই দেশৰ হৈ যথেষ্ট খেলিছোঁ। মোক এই সুযোগ দিয়াৰ বাবে মই বিচিচিআই আৰু ডিডিচিএৰ ওচৰত কৃতজ্ঞ । মই অনুৰাগীসকলৰ প্ৰতিও কৃতজ্ঞ , যিসকলে মোক ইমান বছৰ ধৰি ইমান মৰম দিছে।' উল্লেখ্য যে ধাৱনে অন্তিমবাৰৰ বাবে ২০২২ চনৰ ডিচেম্বৰত বাংলাদেশৰ বিৰুদ্ধে এদিনীয়া শৃংখলাত ভাৰতৰ হৈ অংশগ্ৰহণ কৰিছিল। ২০১০ চনৰ অক্টোবৰত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত প্ৰৱেশ কৰা সত্বেও শিখৰ ধাৱনে বিশ্বত নিজৰ বেটিং দক্ষতা প্ৰদৰ্শন কৰিবলৈ ২০১৩ চনলৈ অপেক্ষা কৰিব লগা হৈছিল। মাৰ্চ মাহত ম'হালিত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তেওঁৰ উজ্জ্বল টেষ্ট অভিষেকত তেওঁ ১৭৪টা বলত ১৮৭ ৰানৰ এটা দৰ্শনীয় ইনিংছ উপহাৰ দিছিল। তেওঁ এই ইনিংছটোৰে এগৰাকী বেটছমেন হিচাপে টেষ্ট অভিষেকত দ্ৰুততম শতকৰ অভিলেখ গঢ়িছিল। ধাৱনৰ এই অভিলেখত উপনীত হোৱাটো যিকোনো খেলুৱৈৰ বাবে প্ৰায় অসম্ভৱ। আনহাতে, ৰোহিত শৰ্মাৰ সৈতে ধাৱনৰ অবিস্মৰণীয় অ'পেনিং যুটি চেম্পিয়নছ ট্ৰফীৰ সময়ত আৰম্ভ হৈছিল। তেওঁ এই টুৰ্নামেন্টত সৰ্বাধিক ৰান সংগ্ৰহকাৰী হিচাপে আত্মপ্ৰকাশ কৰে আৰু গ'ল্ডেন বেট লাভ কৰাৰ লগতে 'প্লেয়াৰ অৱ দ্য টুনামেন্ট' হিচাপে মনোনীত হয়। বাঁওহতীয়া অ'পেনাৰগৰাকীয়ে দেশৰ হৈ ৩৪খন টেষ্ট খেলি ৭টা শতকেৰে ২, ৩১৫ ৰান কৰাৰ লগতে ১৬৭খন এদিনীয়াত ১৭টা শতকেৰে ৬, ৭৯৩ ৰান কৰে। ইফালে, ৬৮খন টি-২০ মেচত ১, ৭৫৯ ৰান সংগ্ৰহ কৰে ধাৱনে। কেইবাখনো এদিনীয়া মেচত ভাৰতীয় দলটোক নেতৃত্ব দিয়া গব্বৰে আইপিএলত দিল্লী ডেয়াৰডেভিলছ (২০০৮), মুম্বাই ইণ্ডিয়ানছ (২০০৯-২০১০), ডেক্কান চাৰ্জাৰ্ছ (২০১১- ২০১২), ছানৰাইজাৰ্ছ হায়দৰাবাদ (২০১৩-২০১৮) দিল্লী কেপিটেলছ (২০১৯-২০২১) আৰু পঞ্জাব কিংছ (২০২২-২০২৪)ৰ হৈ খেলিছিল। ২০২১ চনত ধৱনক ভাৰত চৰকাৰে ক্ৰিকেটত তেওঁৰ ব্যতিক্ৰমী সাফল্য আৰু অৱদানৰ চিন স্বৰূপে অৰ্জুন বঁটাৰে সন্মানিত কৰে।

# আপৰ সংবাদমেলত এপিডিচিএলৰ

ইয়াৰ পূৰ্বেও এবাৰ ৮০৬৬ খন আৰু পৰৱৰ্তী পৰ্যায়ত ৯৬ খন চৰকাৰী বিদ্যালয় বন্ধ কৰিছে। চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থী নথকাৰ অজুহাতত বা আন্তঃগাঁথনিৰ অভাৱত এই বিদ্যালয় সমূহ চৰকাৰে বন্ধ কৰিছে। সংবাদমেলত আম আদমী পাৰ্টিৰ নেতা ৰুদ্ৰাংকুৰ হাজৰিকাৰ প্ৰশ্ন - "যি সময়ত সমগ্ৰ শিক্ষা অভিযানে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মানৰ নামত শ শ কোটি টকাৰ পুঁজি আবন্টন দিছে সেই সময়ত চৰকাৰে মাতৃভাষা মাধ্যমৰ হাজাৰ হাজাৰ স্কুল কিয় বন্ধ কৰিছে? ইয়াৰ জৰিয়তে ৰাজ্য চৰকাৰে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পৃষ্ঠপোষকতা কৰিছে নেকি? লক্ষ্যণীয় বিষয় যে ৰাজ্যখনত যেতিয়াৰ পৰা ক্ষমতাশালী ৰাজনীতিক তথা মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ পৃষ্ঠপোষকতাত ব্যক্তিগত খণ্ডৰ বিদ্যালয় স্থাপন কৰা হৈছে, তেতিয়াৰ পৰাই চৰকাৰী বিদ্যালয়ত পৰ্যায়ক্ৰমে তলা লগোৱা হৈছে। এয়া অসমবাসীৰ বাবে দুৰ্ভাগ্যজনক।" আম আদমী পাৰ্টিৰ জ্যেষ্ঠ নেতা ৰুদ্ৰাংকুৰ হাজৰিকাই অসম চৰকাৰৰ এই সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবী জনোৱাৰ লগতে অসমতো দিল্লী চৰকাৰৰ আৰ্হিত উন্নত তথা বিশ্ব মানদণ্ডৰ চৰকাৰী বিদ্যালয় স্থাপনৰ দাবী জনায়।

# বাংলাদেশত হোৱা

বাংলাদেশীহে 'কা'ৰ অধীনত নাগৰিকত্ব বিচাৰি আবেদন কৰিছে আৰু এজনে নাগৰিকত্ব পাইছে। সেয়া 'কা'ৰ বিৰুদ্ধে ষড়যন্ত্ৰ আছিল। সেই সময়ত ৰাজ্যখনত এনেধৰণৰ বাতাৱৰণ সৃষ্টি কৰা হৈছিল, যাৰ বাবে ৫ গৰাকী ব্যক্তিয়ে জীৱনদানো দিবলগা হৈছিল। ভুৱা প্ৰৰোচনাৰ বাবেই ৫গৰাকী লোকে অনাহকতে মৃত্যুবৰণ কৰিবলগীয়া হ'ল। বাংলাদেশত ইমান ডাঙৰ ঘটনা হোৱাৰ পাছতো এজনো হিন্দু বাংলাদেশী অসমত প্ৰৱেশ নকৰাটোৱেই সেই সময়ৰ প্ৰচাৰ যে ভুৱা আছিল সেয়া ওলাই পৰিছে।

# ড° হিমন্ত বিশ্ব শৰ্মা

পৰিগণিত হৈছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ফেব্ৰুৱাৰী মাহত ইণ্ডিয়া টুডে'ৰ সমীক্ষাত ড° হিমন্ত বিশ্ব শৰ্মাই ৪৮.৬ শতাংশৰ বিপৰীতে আগষ্ট মাহত ড° শৰ্মাৰ ৫০.৮ শতাংশলৈ উন্নীত হৈছে। ইপিনে, দেশৰ ভিতৰত প্ৰথম জনপ্ৰিয় মুখ্যমন্ত্ৰী হিচাপে স্থান লাভ কৰিছে ছিকিমৰ প্ৰেম সিং টামাঙে। ছিকিমৰ মুখ্যমন্ত্ৰীগৰাকীৰ কাম-কাজক লৈ ৫৫.৭ শতাংশই সন্তুষ্টি ব্যক্ত কৰিছে। লক্ষণীয় যে ২০২৪ৰ ফেব্ৰুৱাৰী মাহত প্ৰেম সিং টামাঙৰ ২৮ শতাংশ আছিল। বিগত কেইটামাহতেই টামাঙৰ জনপ্ৰিয়তা ৫৫.৭ শতাংশলৈ বৃদ্ধি হৈ দেশৰ জনপ্ৰিয় মুখ্যমন্ত্ৰীৰ তালিকাত শীৰ্ষস্থান লাভ কৰিছে।

# মাকুমত আপৰ

আম আদমী পাৰ্টিত যোগ দিয়ে। নতুনকৈ দলত যোগদান কৰা নেতা-কৰ্মী সকলক আম আদমী পাৰ্টিলৈ আদৰণি জনাই দলৰ জ্যেষ্ঠ নেতা মনোজ ধানোৱাৰে কয়, " কংগ্ৰেছ আৰু বিজেপিৰ প্ৰতি ৰাইজৰ মোহ ভংগ হৈছে। বিজেপিয়ে ক্ষমতাত অধিষ্ঠিত হোৱাৰ পূৰ্বে যি প্ৰতিশ্ৰুতি দিছিল সেইবোৰ পূৰণ কৰিব পৰা নাই। সেইবাবেই আপৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। দিল্লী আৰু পঞ্জাৱ চৰকাৰৰ আৰ্হিত অসমতো এখন জনকল্যাণকামী চৰকাৰ গঠনৰ বাবে আপৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ বৃদ্ধি পাইছে। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বেই আমাৰ দললৈ বহু নেতা কৰ্মীৰ যোগদান হ'ব। সকলোৰে সহযোগিতাত আমি কংগ্ৰেছ আৰু বিজেপিৰ শক্তিশালী বিকল্প হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ম।" যোগদান কাৰ্যসূচীত আপ যুৱ শক্তিৰ আহ্বায়ক বাবুল বিকাশ চেতিয়াই যুৱ প্ৰজন্মক ৰাজনৈতিক পৰিৱৰ্তনৰ স্বাৰ্থত আপক সমৰ্থন কৰিবলৈ আহ্বান জনায়।

# ধিঙৰ কিশোৰী নিৰ্যাতন

স্থানীয় লোকে নাবালিকাগৰাকীক প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে । আৰক্ষীয়ে নাবালিকাগৰাকীক উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰায়। বৰ্তমানো চিকিৎসাধীন অৱস্থাত আছে এইগৰাকী অমানৱীয় কাণ্ডৰ বলি হোৱা কিশোৰী ।এই ঘটনাৰ পিছতে ৰাজ্যজুৰি প্ৰতিবাদৰ জোৱাৰ উঠিছিল। সকলোৱে একেমুখে দোষীক উচিত শাস্তি দিয়াৰ দাবী তুলিছিল।

# কৈলাখাত প্ৰাথমিক

অন্তৰ্গত বোকাখাতৰ কৈলাখাত প্ৰাথমিক বিদ্যালয়ে। উল্লেখ্য যে বিদ্যালয়খনে শৈক্ষিক দিশৰ লগতে চৌহদ, চাফ-চিকুণ, শ্ৰেণী কোঠাৰ চাফ চিকুণতা, ছাত্ৰ-ছাত্ৰীৰ পৰিস্কাৰ পৰিচ্ছনতা আৰু সেউজকৰণৰ ক্ষেত্ৰত এক সুকীয়া মাত্ৰা প্ৰদান কৰি আহিছে। লগতে শনিবৰীয়া চ'ৰা, সময়ে সময়ে অভিজ্ঞ ব্যক্তিৰ দ্বাৰা সাংস্কৃতিক দিশৰ শিক্ষা প্ৰদান, আলোচনা চক্ৰ, শিক্ষামূলক ভ্ৰমণ, ডিজিটেল পাঠ দান ব্যবস্থা গ্ৰহণ কৰি আহিছে। প্ৰধান শিক্ষক চন্দন ভুএঞাৰ আৰু সহকৰ্মীৰ সুব্যৱস্থাপনাত ৰান্ধনি গৃহ, অনাময় ব্যৱস্থা আদি কৰি বিদ্যালয়খনে বিশেষ ভূমিকা পালন কৰি আহিছে। 'গ্ৰাহ'ৰ জুৰী বৰ্ডে এইবাৰ সমীক্ষাত্মক বিবেচনাৰে বিদ্যালয়খনলৈ ২০২৪ বৰ্ষৰ 'গ্ৰাহ নিৰ্মল সেউজ বঁটা' ঘোষণা কৰিছে।

# ৰাজ্যসভা নিৰ্বাচনৰ

উল্লেখ্য যে দুলীয়াজানৰ প্ৰাক্তন বিধায়ক তেলীয়ে প্ৰাধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ আৰু শ্ৰম আৰু নিয়োগ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। আনহাতে, উত্তৰ কৰিমগঞ্জ সমষ্টিৰ পৰা চাৰিবাৰকৈ বিধায়ক হোৱা মিছ্ৰ ৰঞ্জন দাস বিজেপিৰ এগৰাকী অভিজ্ঞ ৰাজনীতিক। অষ্টাদশ লোকসভা নিৰ্বাচনত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু কামাখ্যা প্ৰসাদ তাছা জয়ী হোৱাৰ পিছত ৰাজ্যসভাৰ দুয়োখন আসন খালী হৈ আছিল ।অহা তিনি ছেপ্টেম্বৰত ৰাজ্যসভাৰ আসন দুখনৰ বাবে নিৰ্বাচনৰ দিন ধাৰ্য কৰা হৈছে । উল্লেখ্য যে ৰাজ্যসভাৰ দুখন আসনৰ বাবে আবেদন কৰা দহগৰাকী প্ৰাৰ্থীৰ মাজৰ পৰা বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বই ৰামেশ্বৰ তেলী আৰু মিছ্ৰ ৰঞ্জন দাসক মনোনীত কৰে ।

## ENGLISH NEWS SECTION

# 37 Care Units Provided to Assam Medical College by Oil India Ltd.




Guwahati, RB News- Assam Medical College is on its way to fulfilling a long-standing need. Oil India Limited (OIL) will construct a multi-storied care unit with 37 beds at Assam Medical College. For this purpose, a Memorandum of Understanding (MoU) has been signed between AMCH and OIL. With the aim of enhancing Assam's healthcare infrastructure, Oil India Limited has signed an MoU under its CSR initiative with Assam Medical College and Hospital (AMCH) in Dibrugarh. Through this agreement, which has a total budget of approximately ?9.00 crores, a state-of-the-art tertiary care referral hospital with 37-bed multi-storied care units will be constructed at AMCH. The MoU was signed at Assam Medical College in the presence of Dibrugarh district commissioner Bikram Kairi, with OIL's Resident Chief Officer Anfar Ali Haque and AMCH's Principal Dr. Sanjeev Kakati. The event was also attended by Madhurya Baruah, Executive Director of Human Resources and Field Administration at OIL, as well as Chief General Manager Debashis Bora, along with other senior officials. Additionally, AMCH Superintendent Dr. Prashanta Dihingia and several other doctors and officials were present at the event. Assam Medical College and Hospital (AMCH), the first medical college in the Northeastern region, receives a large number of patients daily from various parts of Assam, as well as from Arunachal Pradesh and other neighboring states of Northeast India, seeking advanced treatment. The long-standing need for care units at this facility has been a significant issue. Therefore, the new healthcare center to be constructed by OIL in Upper Assam aims to strengthen the healthcare delivery system by providing essential infrastructure, enabling the provision of specialized and quality medical care. As a part of OIL's CSR initiative, this important project is expected to significantly benefit the patients coming to the medical college, according to AMCH Principal Dr. Sanjeev Kakati and OIL's Chief Officer Anfar Ali Haque.

## Neeraj finishes 2nd at Lausanne Diamond League with 89.49m



RB News- Reigning world champion Neeraj Chopra finished second at the Lausanne Diamond League with a throw of 89.49 metres. It is Neeraj's season-best throw, eclipsing his previous season-best of 89.45 metres, which he had recorded at the Paris Olympics. Grenadian javelin thrower Anderson Peters finished first with a best throw of 90.61 metres.

## Indian Olympian Archana Kamath quits table tennis



RB News- Archana Kamath, who represented India in table tennis at Paris Olympics, has quit the sport aged 24 to pursue studies in USA. Stating that it's not a financial decision, Kamath said, "If I have retired from competitive table tennis, it is only and only because of my passion for academics." She had been playing table tennis since she was nine.

## PCI appoints SP Sangwan as Chef de Mission for Paralympics 2024



RB News- On Wednesday, the Paralympic Committee of India (PCI) appointed Vice President, Satya Prakash Sangwan as the Chef de Mission for Paris Paralympics 2024. PCI stated, "He will be guiding 84 athletes across 12 disciplines." The Paris Paralympic Games 2024 will take place from August 28 to September 8.

## Schedule for India's Test tour against England in 2025 announced



RB News- Schedule for India's five-match Test tour against England in 2025 has been announced. The series will take place from June 20 to August 4. The first Test will take place at Headingley. The second Test will begin on July 2 in Birmingham. Lord's will host July 10 Test. The last two Tests will take place at Old Trafford and Oval.

## BCB gets legal notice to ban Shakib Al Hasan after being booked in murder case



RB News-The Bangladesh Cricket Board (BCB) has received a legal notice from a lawyer at Bangladesh Supreme Court seeking ban on Shakib Al Hasan after he was booked in a murder case. BCB President Faruque Ahmed said the board will take a decision on Shakib's future after the ongoing Test against Pakistan in Rawalpindi.

# নদী-দ্বীপত এনিশা

চাৰিআলিৰ পৰা ২ কিঃ মিঃ পশ্চিমে ফুলেশ্বৰী থানৰ অৱশেষ আছে। আৰু ফুলনি চাৰিআলিৰ সমীপতে আহোম ৰজাই পতা ফুলনিবাৰীৰ ওখ ভেটি। ইয়াতেই ফুলনি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বৃহৎ খেলপথাৰ। এইখন স্কুলৰ বাবে শইকীয়া পৰিয়ালে পাঁচ বিঘা মাটি দান দিছে।

ঐতিহ্যমণ্ডিত ফুলনিৰ খেলপথাৰত পতাকা উত্তোলন কৰি, ৰ'দৰ উম লৈ থাকোতে মনোজে ফোন কৰি ক'লে- 'আজিৰ অনুষ্ঠানৰ কথা দৈনিক জনমভূমিত ওলাইছে, পঢ়ি একেবাৰে লাইভ টেলিকাষ্ট চাই থকা যেন লাগিছে!'

মাজুলীলৈ নিমন্ত্ৰণ পায়েই আমি তেতিয়া উল্লসিত হৈ পৰিছিলো। সপোনপুৰী, হেঁপাহৰ মাজুলীলৈ গৈ কল্পনাতে ফুলনিত ঘূৰি ফুৰিছিলো। ১৩ ডিচেম্বৰত প্ৰকাশ হোৱাকৈ এক প্ৰতিবেদনো 'দৈনিক জনমভূমি' কাকতলৈ প্ৰেৰণ কৰিছিলো। আৰু প্ৰকাশ হোৱাত মনটো ৰং-আনন্দ-উলাহত উপচি পৰিল। মূল সভালৈ আমি ৰ'ব নোৱাৰিলো। পাচদিনা নয়নৰ এৰাব নোৱৰা কাম গুৱাহাটীত থকাৰ বাবে উভতি আহিব লগা হ'ল। কমলাবাৰী ঘাটত নিমাতীঘাট অভিমুখী ফেৰীলৈ আগবাঢ়োতে, আমাক ফুলনি চাৰিআলিলৈ গাড়ীৰে লৈ যোৱা ড্ৰাইভাৰজন দেখিলো। ওচৰলৈ গৈ ক'লো- 'আপুনি কালি বহুত সহায় কৰিলে। ধন্যবাধ।' তেওঁ হাতযোৰ কৰি ক'লে- 'ধন্যবাদ দি লাজ নিদিব। কিমানক অনা-নিয়া কৰিলো, কোনেও এনেকৈ শলাগ লোৱা মনত নপৰে।' নয়নেও ক'লে- 'কালি আপোনাক ভালকৈ মাত এষাৰ দিব নোৱাৰিলো। বেয়া লাগি আছিল। এতিয়া যোৱাৰ সময়ত লগ পাই ভাল লাগিল। কালি আন্ধাৰ ৰাস্তাত আপোনাৰ সাহসতে গৈছিলো।' ড্ৰাইভাৰ জনে সজল চকুৰে নয়নৰ কান্ধত হাত চপৰিয়ালে।

ফেৰীৰ ভিতৰত ঠাণ্ডা লগাত দুপৰৰ ৰ'দৰ উম লৈ ডেকত থিয় দি লুইতৰ চৌপাশৰ অপৰূপ দৃশ্য চাই ৰ'লো। ৰ'দত ৰূপালী হৈ পৰা লুইতৰ পানী, জক্‌মকাই থকা বালিচৰ, জাকে জাকে উৰি ফুৰা চৰাইৰ মনোমোহা দৃশ্যই মুগ্ধ কৰাৰ সময়তো আগৰাতিৰ পাৰৰ মাতত ভয় খোৱা কথাটো মনত পৰিল।


JANASANYOG- 1202/ 24/25-Aug-24

অসম চৰকাৰ

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

ই-খাজনা

ভূমি ৰাজহ আদায়ৰ ভৱিষ্যত!

এই যুগান্তকাৰী পদক্ষেপে ভূমি ৰাজহ পৰিশোধ প্ৰক্ৰিয়াটোত এক বিপ্লৱৰ সূচনা কৰি ইয়াক অধিক সুবিধাজনক, দক্ষ আৰু স্বচ্ছ কৰি তুলিব



মূল বৈশিষ্ট্যসমূহ

- সকলো ভূমি ৰাজহ ই-খাজনাৰ জৰিয়তে দিয়াৰ সুবিধা উপলব্ধ
- আদায় দিয়া খাজনাৰ ৰচিদসমূহ অনলাইনত সংৰক্ষিত আৰু যিকোনো সময়তে সহজেই উপলব্ধ
- মাত্ৰ এবাৰ ই-কে ৱাই চি ৰ পঞ্জীয়নযোগ্য
- সহজভাৱে আদায়ৰ ব্যৱস্থা-যিকোনো পৰিমাণৰ ৰাজহ, যিকোনো সময়ত, যিকোনো ঠাইৰ পৰা
- এবাৰ পঞ্জীয়নৰ জৰিয়তে আন পট্টাৰ ৰাজহ আদায়ৰ ক্ষেত্ৰতো সামৰি ল'ব
- ডিজিটেল পে'মেণ্ট প্ৰমাণৰ সহজ সংৰক্ষণ

নিম্নলিখিত সহজ প্ৰক্ৰিয়াটো অনুসৰণ কৰক

আবেদনকাৰী

সেৱাসেতু প'ৰ্টেলৰ যোগেদি পঞ্জীয়ন

পঞ্জীয়নত উল্লেখ কৰা মোবাইল নং ত ৰাজহ আদায়ৰ লিংক প্ৰেৰণ/ সেৱাসেতু প'ৰ্টেলত পঞ্জীয়ন কৰা একাউণ্টত উক্ত লিংক উপলব্ধ

উক্ত লিংকৰ জৰিয়তে ৰাজহ পৰিশোধ

পঞ্জীয়নৰ বাবে লগ ইন কৰকঃ sewasetu.assam.gov.in অথবা আপোনাৰ ওচৰৰ ৰাজহুৱা সুবিধা কেন্দ্ৰ(PFC)লৈ যাওক

যিকোনো প্ৰশ্ন/মতামত/তথ্যৰ বাবে আপুনি আমাৰ হেল্পলাইন নং ১৮০০-৩৪৫-৩৫৭৪ত যোগাযোগ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক



ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286

প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ

Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286